চান্দমামা

ফেব্ৰুৱাৰি ১৯৯৩



চান্দমামা

মাহৰ-পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী. উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপুৰ

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

পোলিঅ'প্লাছ

শিশুইঁতলৈ
ব্যাধিবিহীন মুক্তজীৱনৰ
সুস্পষ্ট আশ্বাস

কেতিয়া কিমান ছিটা দিব লাগিব

ছিটা কেতিয়াৰপৰা আৰম্ভ কৰিব	ছিটাৰ নাম	ৰোগৰ নাম	কিমান বাৰ দিব লাগিব
জন্মৰলগেলগে	**বি ছি জি**	যক্ষ্মা	এবাৰ মাথোন
৬ সপ্তাহ	**পোলিঅ'**	**পোলিঅ'**	তিনি বাৰ (কমেও এমাহৰ বাদে বাদে)
৬ সপ্তাহ	**ডি পি টি**	**ডিপথেৰিয়া** **পাৰ্টুছিছ** (আজোৰা কাহ) **টেট্যানাছ** (ধনুষ্টংকাৰ)	তিনি বাৰ (কমেও এমাহৰ বাদে বাদে)
৯ মাহ	**মিজলছ**	সৰু আই	এবাৰ মাথোন

জন্মৰ বাৰ মাহৰ ভিতৰতে শিশুক সকলো ধৰণৰ ছিটা সম্পূৰ্ণ-কৈ দিব লাগিব।

গৰ্ভৱতীসকলে গৰ্ভধাৰণৰ শেষৰ ফালে দুবাৰ টেট্যানাছ (টি টি) ছিটা লোৱা আৱশ্যক। প্ৰথমবাৰ ছিটা লোৱাৰ এমাহৰ অন্তত দ্বিতীয়বাৰ ল'ব।

সুস্থ শিশু—জাতিৰ আশা আৰু গৌৰৱ

NOW, GIVE YOUR SON
a life-like MODEL
of tHe WORLD's finEst GUN

No more toys for your big little boy! Now, you can give him the real thrill of the world's greatest gun.

Tru-Gun. A true-to-life model of the UZI submachine gun developed by Mossad – Israel's elite commando unit.

The feel. The finish. The size. The shape. The sound. Tru-Gun is so much like the original, you can't tell the difference – till you pull the trigger.

- **squirts water in a powerful jet**
- **fires non-stop in a rapid burst**
- **unbreakable high-grade plastic**
- **no sharp edges, no metal pieces**
- **available in black, olive green, metallic silver**

New

Tru-Gun

U.Z.I. submachine gun

A life-like gun loaded with fun

Special Introductory Blast!

Cut out this coupon and shoot over to your favourite toy store, to get 5% off on your TRU-GUN U.Z.I. submachine gun.

Name : ....

Age : .... Class: ....

Address : ....

....

HansaVision CTT 10772

চান্দমামা

*

ফেব্ৰুৱাৰি ১৯৯৩

এই সংখ্যাত আছে

*

নিয়মৰদ্ধ প্ৰকৃতিৰ নিয়ম	:	৭
এশ জালুকৰ আগ	:	৯
সৰাতোকৈ পৱিত্ৰ	:	১১
মায়া মহল	:	১৭
ধৰম চিয়া	:	২৫
পোহাৰী লেখ	:	৩০
চান্দমামা-ক্ৰোড়পত্ৰ	:	৩৩
ঈশ্বৰে দিয়া ঐশ্বৰ্য্য	:	৩৭
ক্ষ-ৰহস্য	:	৪১
বীৰ হনুমান	:	৪৫
বিবাদৰ বিপদ	:	৫৩
চান্দমামাৰ সম্বাদ	:	৬০
নামৰ গুণ	:	৬১
বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য	:	৬৩

*

চান্দমামা

সংস্থাপক ঃ চ ক্র পা ণি   সঞ্চালক ঃ বি নাগিৰেড্ডি

নিয়মৰদ্ধ প্ৰকৃতিৰ নিয়ম

প্ৰকৃতিৰে সৈতে এক হোৱা ঃ জ্যেষ্ঠসকলে আমাক এনেহেন উপদেশ সদায় দি আহিছে। এই 'এক হোৱা'ৰ অৰ্থনো কি ?

আমি বহুতেই হয়তো মাজে-মধ্যে এই কথা ভাবি আচৰিত হওঁ যে—আকাশখন নীল বৰন্দীয়া হ'ল কিয় ? বেলি কিয় ইমান উত্তপ্ত ? বা—সেই উত্তপ্ত বেলিৰপৰা পোহৰ লোৱা জোনৰ পোহৰ ইমান স্নিগ্ধ হয় কেনেকৈ ? তৰাবোৰৰ তিৰবিৰনি কিয়নো কেতিয়াও নৰয় ? বা নানান ফুলৰ নানান ৰং কোনেনো স্থিৰ কৰি দিয়ে ? ঘাঁহ সকলোতে কিয় সেউজীয়া ? মৰা চৰাইক কোনেনো নাচিবলৈ শিকায় ? মকৰাই কেনেকৈনো জাল সাজে ?

এনেবোৰ অন্তহীন প্ৰশ্নই মূৰত মূৰ দাঙে। কিছুমানে এইবোৰ ঈশ্বৰৰ দান বুলি ক'ব, কিছুমানে বিজ্ঞানভিত্তিক ব্যাখ্যা কৰিব।

সকলো সৃষ্টিৰ মাজত মানুহ হ'ল সৰাতোকৈ বিচিত্ৰ, মানুহৰ অংগ-প্ৰত্যংগ কিমান যে সূক্ষ্মাতিসূক্ষ্ম দক্ষতাৰে কাম কৰে ! কিন্তু প্ৰকৃতিৰ বিৰুদ্ধাচৰণ কৰাৰ লগে লগেই সেই দক্ষতা অক্ষমতালৈ পৰ্য্যৱসিত হয়, বিভিন্ন ব্যাধিয়ে মানুহক আগুৰি ধৰে, মানুহ নিকতীয়া হৈ পৰে।

প্ৰকৃতিৰ দান সকলো প্ৰাণীয়েই পায়। মানুহ, পশু-পক্ষী আদি প্ৰত্যেকেই প্ৰকৃতিৰ আশীৰ্বাদ প্ৰাপ্ত। প্ৰকৃতিকো 'নিয়মবদ্ধ' কৰি ৰখাৰ বাবে কিছুমান প্ৰকৃতিৰ নিয়ম নিশ্চয়েই আছে।

আমিও প্ৰকৃতিৰ নিয়মৰ বিৰুদ্ধতা নকৰাই ভাল।

বছৰ ঃ ১৭   ফেব্ৰুৱাৰি ১৯৯৩   সংখ্যা ঃ ১১

খনে ৪'০০ টকা ঃঃ বছৰেকীয়া বৰঙণি ৪৮'০০ টকা

দাঙি ধৰোঁ একতাৰ পতাকা

আজিৰপৰা ৪৫ বছৰৰ আগতে চান্দমামা-ৰ প্ৰথম প্ৰকাশ। দিনটো আছিল ঘটনাবহুল দিন। বৃটিছ শাসকৰ বিৰুদ্ধে জাগৰণৰ আৰু ভাৰত-বিভাগৰো দিন। সেই কালছোৱাতে আজিৰ ভাৰত আৰু পাকিস্তানৰ নৱজন্ম হৈছিল।

সেই কালছোৱাতে অগণন জনগণে সপোন দেখিছিল এক সুউজ্জ্বল ভৱিষ্যতৰ। সকলো কলহ-সংশয় পৰিহৰি সুখ আৰু শান্তিৰ সেন্দুৰীয়া আলিলৈ খোজ লোৱাৰ বাবে এই উপমহাদেশৰ আপামৰ জনসাধাৰণে বাঞ্ছা কৰিছিল।

কিন্তু স্বাধীনতাপ্ৰাপ্তিৰ তথা শান্তিৰ বাবে জীৱন উৎসৰ্গকাৰী শ্বহীদসকলৰ এই ত্যাগ ব্যৰ্থ হ'লনে ?

নিশ্চয় নহয়। আমাৰ দিনৰ দুৰ্ভাগ্যজনক ঘটনাৱলীয়ে নিশ্চয় কোনো স্থায়ী ব্যৰ্থতাক কঢ়িয়াই নানিব। ধৰ্ম আৰু ৰাজনীতিৰ মাজত এক সুউচ্চ বিভেদৰ প্ৰাচীৰ মুৰ দাঙি উঠাৰ চেষ্টা পৰিলক্ষিত হোৱা সত্বেও আমি নিশ্চয় নিৰাশাবাদী হৈ নপৰোঁ। আমি, ঈশ্বৰৰ সন্তানসকলে, নিশ্চয় এনেকৈ আমাৰ উত্তৰপুৰুষক দুৰ্ভাগ্যৰ অন্ধকাৰ গহ্বৰলৈ নিক্ষেপ নকৰোঁ।

হিন্দুশাস্ত্ৰই আমাক জাতি-ধৰ্ম নিৰ্বিশেষে ভাল পাবলৈ শিক্ষা দান কৰিছে। ইছলামে, মহান মহম্মদে কৈছে : প্ৰেমেই হ'ল আল্লাহুৰ সৱাতোকৈ প্ৰিয়। খ্ৰীষ্ট যিশুৱে কৈছে : তুমি নিজক যেনেকৈ ভাল পোৱা, প্ৰতিবেশীকো তেনেকৈয়েই ভাল পাবা।

তেনেহ'লেনো আমি পৰস্পৰক কিয় ঘৃণা কৰিম ?

কিয় আমি ধৰ্মৰ নামত অজ্ঞানতাৰ অন্ধকাৰলৈ আহ্বান জনাম ?

আপোনালোকৰ চান্দমামায়ো বৈচিত্ৰ্যৰ মাজত ঐক্যৰ হকে বিগত প্ৰায় অৰ্ধশতকৰ-পৰা প্ৰচেষ্টা চলাই আহিছে বিভিন্ন ভাষাৰ যোগেদি। সাম্প্ৰদায়িক সংঘৰ্ষৰ ৰাক্ষসী ৰূপ দেখি চান্দমামা বেদনাগধুৰ। এই দুৰ্ভাগ্য যে ক্ষণস্থায়ী সেই কথা নিশ্চয়েই সত্য।

হে চান্দমামাৰ প্ৰিয় পাঠক-পাঠিকাসকল! এনেবোৰ দুৰ্ভাগ্যৰ অন্ধকাৰ যাতে সম্পূৰ্ণ নিশ্চিহ্ন হয় — আমি যাতে শান্তিৰ তথা সৌভ্ৰাত্ৰ্যৰ দোকমোকালি দেখা পাওঁ — আহক, তাৰ বাবে আমিও অগ্ৰসৰ হওঁ।

জয় হিন্দ!

চান্দমামা পাবলিকেশ্বনছৰ হৈ,
বি. বিশ্বনাথ ৰেড্ডি

পৃথিৱীৰ খিৰিকীৰে

এশ জালুকৰ আগ

এই বছৰৰ ন'বেল-শান্তিবঁটা এগৰাকী নাৰীয়ে পালে। আগৰ বাৰ মায়ানমাৰৰ (মানদেশ অৰ্থাৎ বাৰ্মা) শ্ৰীমতী আউং ছান সু কী-ক দিয়া হৈছিল। এইবাৰ গুৱাতেমালাৰ কুমাৰী ৰিগোবেৰ্তা মেনচুক দিয়া হ'ল। কুমাৰী—মেনচুৱে স্বনিৰ্বাসিত হৈ বহুদিনৰপৰা মেক্‌ছিকোত প্ৰৱসুৱা জীৱন যাপি আছে।

ন'বেল কমিটিয়ে কুমাৰী মেনচুলৈ আগবঢ়োৱা মানপত্ৰত এইদৰে উল্লেখ কৰিছে: 'স্বদেশত, আমেৰিকাত, বিশ্বৰ বিভিন্ন জাতিৰ তথা সংস্কৃতিৰ মাজত থকা বিভেদ দূৰীকৰণৰ বাবে, শান্তিৰ বাবে সাগ্ৰাম সংগ্ৰামী কুমাৰী মেন্‌চু হ'ল আমাৰ কালৰ শান্তিৰ যথাৰ্থ প্ৰতীক'।

তেত্ৰিছ বছৰৰ আগতে এক দৰিদ্ৰ পৰিয়ালত কুমাৰী ৰিগো মেনচুৱে জন্মগ্ৰহণ কৰিছিল। যোৱা তিনি দশকৰপৰা চলি অহা গুৱাতেমালাৰ গৃহযুদ্ধত ফলত মেনচু-পৰিয়ালখন ছিন্ন-ভিন্ন হৈ গ'ল। বহু সংখ্যক দক্ষিণ-আমেৰিকীয় দেশৰ দৰেই—গুৱাতেমালাতো ইঅ'ৰোপীয় দেশৰপৰা অসংখ্য মানুহ আহি বসবাস কৰিছে আৰু তাৰ থলুৱা ৰে'ড ইণ্ডিয়ানসকলৰ সৈতে সুতীব্ৰ সংঘৰ্ষত সাঙোৰ খাই পৰিছে। ১৯৭০—৮০ চনত থলুৱা মানুহখিনিক এই ইঅ'ৰোপৰপৰা অহাইঁতে নিৰ্মমভাৱে নিষ্পিষ্ট কৰিছিল। ধনিক জমিদাৰইঁতে আৰু লগতে সৈন্যইঁতেও ভয়াবহভাৱে নৰ-সংহাৰ কৰা হৈছিল। এই নিৰ্বিচাৰ নৰহত্যাৰ কালতে কুমাৰী মেনচুৱে তেওঁৰ মাতৃ-পিতৃক আৰু এজন ভতৃকো হেৰুৱাবলগা হৈছিল। তেতিয়া ৰিগোবেৰ্তা মেনচু আছিল বিছ বছৰীয়া।

তেতিয়াৰেপৰাই তেওঁ জনগণৰ বাবে জনগণৰ সৈতে জনগণৰ হৈ যুঁজি থাকিল। একান্ত বাধ্যত পৰিয়েই কুমাৰী মেন্‌চুৰেও গৰিলা-পদ্ধতিৰে যুঁজিবলগা হৈছিল। এইকালছোৱাত গুৱাতেমালাৰ সোঁপন্থী চৰকাৰ সৈন্যইতে গুৱাতেমালাত ৫০,০০০ তকৈয়ো অধিক সংখ্যক মানুহক হত্যা কৰিছিল—যিসকলৰ মাজত ৰে'ড ইণ্ডিয়ানেই আছিল সৰ্বাধিক। বিগত ৩০ বছৰত এই সংখ্যা ১,২০,০০০ তকৈয়ো অধিক হৈছেগৈ।

কুমাৰী মেন্‌চুৰ কাৰ্য্যক্ৰমক হিংসা-ৰহিত বুলি ক'ব নোৱাৰি। কিন্তু তেওঁৰ এই যুঁজ—শান্তিৰ বাবে যুঁজ যে—সেই কথাতো কোনো সন্দেহ নাই।

এই প্ৰসংগত ন'বেল অ্যাওৱাৰ্ড কমিটিয়ে মন্তব্য কৰিছে: আমেৰিকাত তথা সমগ্ৰ বিশ্বত বিয়পি পৰা অশান্তি-জনিত সমস্যাৰ দূৰীকৰণৰ বাবে এই বঁটাই কিঞ্চিতমান সহায় যোগাব বুলি আশা কৰিব পাৰি।'

এই বছৰটো হ'ল আমেৰিকা-আৱিষ্কাৰক খৃষ্টোফাৰ কোলম্বাছৰ ৫০০ বছৰীয়া উছৱৰ বছৰ। এই বছৰতে কুমাৰী 'মেন্‌চুলৈ ন'বেল শান্তি বঁটা—এশ জালুকৰ আগ—যেন হ'লেও তাৎপৰ্য্য নথকা নহয়।

এই বঁটা পোৱাৰ বাতৰি পাই কুমাৰী আইচু মেন্‌চুৱে কৈছে: এই যুঁজত যিসকলে প্ৰাণ উছৰ্গিছে, তেওঁলোকৰ কণ্ঠই এতিয়া বিশ্বৰ দৰবাৰত ন্যায়ৰ বাবে চিঞৰি উঠিছে। আমি নিৰাশ হোৱাৰ হেতু নাই। ইতিহাসত সদায়েই ন-ন পাত লিখিত হৈছে, হ'ব। আমাৰ দৃষ্টিৰ আগত সেইবোৰ পাত এখিলা এখিলাকৈ খোল খাই আছে...।

১৯৯২ চনৰ অন্যান্য ন'বেল-বঁটা-বিজয়ীসকল: ফ্ৰান্সৰ প্ৰোফেছাৰ জৰ্জ চৰ্পা'ক (ভৌত-শাস্ত্ৰ); আমেৰিকাৰ প্ৰোফেছাৰ ৰুডলফ আ. মাৰকোছ (ৰসায়ন); আমেৰিকাৰ প্ৰোফেছাৰ এডমাণ্ড ফিশ্বাৰ আৰু ড° এডিয়ন ক্ৰাব্‌ছ (চিকিৎসা-বিজ্ঞান), আমেৰিকাৰ প্ৰোফেছৰ গেৰি এফ. বে'কাৰ (অৰ্থশাস্ত্ৰ): আৰু ওৱেস্ট ইণ্ডিজৰ লেখক ওৱালকট (সাহিত্য)।

সৰ্বাতোকৈ পৱিত্ৰ

ৰজাভেটা গাঁৱৰ পৰবীণ অৰ্থাৎ প্ৰবীণ নামৰ ডেকা এজন আছিল অতি অসহায়। দেউতাকে এৰি থৈ যোৱা ঋণ পৰিশোধৰ বাবে সি ঘৰ-দুৱাৰ মাটি-বাৰী বেচি পেট প্ৰৱৰ্তোৱাৰ কোনো পথ নাপাই সি এদিন কাম-বনৰ আশাৰে ৰাজধানীলৈ বুলি ৰাওনা হল।

গৈ গৈ থিয় দুপৰীয়াৰ পৰতে পৰবীণে এডৰা বিৰাট জংগল পালেগৈ। তেতিয়া ভোকতো কুমটিয়ে খনা দিছে, আৰু পিয়াহতো তাৰ অণ্ঠ-কণ্ঠ শুকাই আহিছে। ইফালে-সিফালে চাই—কিছু দূৰত এটা টিলাৰ ওপৰত থকা তেঁতেলী এজোপাৰ তলত পঁজাঘৰ এটা দেখা পাই সি সেই পোনে টঙনা ঘোঁৰাই যোৱা দিলে।

যোৱা পঁচিছ বছৰৰপৰা এই পঁজা ঘৰটোত জগ্‌তাই নামৰ যাদুকৰী এজনী বাস কৰিছিল। পৰবীণে সেই পঁজাঘৰটোৰ কাষ পাওঁতেই যাদুকৰী জগ্‌তায়ে ঘৰৰ দুৱাৰ খুলি সুধিলে, "তইনো কোন?

জগ্‌তাই যাদুকৰীৰ কপালত আছিল টিকটিকীয়া ৰঙা ফোঁট, ডিঙিত আছিল ৰুদ্ৰাক্ষৰ আৰু অন্যান্য নানান বস্তুৰ মালা আৰু তাইৰ চুলিকোছা আছিল ইডালে-সিডালে মেৰ খাই ধৰা, মাত কৰ্কশ।

পৰবীণে জগ্‌তাই বুঢ়ী যাদুকৰীলৈ গভীৰভাবে নিৰীক্ষণ কৰিলে আৰু তাৰ পাছত লাহেকৈ ক'লে, "পেহী, খাওঁ খাওঁ ৰ'দৰ মাজেদি আহি পিয়াহত অণ্ঠ-কণ্ঠ শুকাই খৰখৰীয়া মাৰিলে। অলপ খোৱাপানী দিয়া, পেহী!"

যাদুকৰী জগ্‌তাই বুঢ়ীয়ে ক'লে,

সোমেশ্বৰ সোণোৱাল



“এইদৰে খৰেধৰে মিতিৰালিৰে মাত-বোল —কিবা থেকেৰা ফুল থেকেৰা ফুল গোন্ধায় যেন পাউ। আৰু—যিহঁতে চকু চাওঁতেই ফুফী পেহী মাহী পতায়—সিহঁতলৈ মই সন্দেহৰ চকুৰেহে চাউ। তথাপি, কৈছু তই পেহী, আই ঔ দেহি, ব'ল—কিয় কেৱল পানী খাবি, গৰ্‌মাগৰম ৰুটি ল'বি, মুগীৰ চুকুৰা পাবি—খাবি-ল'বি আৰাম কৰিবি, আৰু—গধূলিৰ আগে আগে আক' ৰাজধানীলৈ গৈ থাকিবি—আহ্, আহি যা তই অন্দৰ অচিনাকি বান্দৰ।”

ৰং ৰং গহৰ পাত যোৰা দি বনোৱা পাতৰ কাঁহীত গৰম গৰম ৰুটি আৰু পাতেৰেই বনোৱা বাটিত মুৰগীৰ জোল খাই থাকোঁতে প্ৰবীণে কৈ থাকিল, “অঃ! ইমান যে বঢ়িয়া সোৱাদৰো সোৱাদ খানা! আনকি ৰাজধানী তো নোপোৱা খানা জংগলত খাই আছোঁ! ইমান ভাল ৰান্ধন—মই মোৰ জীৱনতো আগে খাই পোৱা নাছিলোঁ, পেহী!”

শুনি জগ্‌তাই ফুলি ঢোল হৈ পৰবীণক বৰ আতোল-তোলকৈ ক'লে, “বোলোঁ ঐ—ৰাজধানীত তোৰ কোনোবা আছেনে? আৰু—তোৰ ওচ'তে পয়ছা-কড়ি আছেনে?”

পৰবীণে দুয়োটা প্ৰশ্নৰ উত্তৰত নাইত হাত দিলে। নাই ৰাজধানীতো কোনো নাই, পইচা-পাতিও নাই।

তেতিয়া জগ্‌তাই বুঢ়ীয়ে সোলামুখৰ হাঁহিৰে ক'লে, “তেনেহ'লি—তই তাত থাইক্‌বি কেংকে? খাবি কি?”

পৰবীণ মনে মনে থাকিল।

তেতিয়া জগ্‌তায়ে অতি মৰমৰে ক'লে, “সঁচা কথাটো ক'ব্লৈই তেন্তে—। জালি-পানী চাই—তোমাক ৰজাঘৰীয়া ৰজাঘৰীয়া যেন লাগিছে। আচলতে তোমাৰ কপালত ৰাজটীকা মই দেখা পাইছোঁ। কেৱল মকুটখনহে মূৰত নাই।”

"ঈশ্বৰে মোক ৰূপ কিছু দিলে, গুণৰ বেলিকা ঠন্ ঠন্। ৰজা-মহাৰজা—কোনো ভতুৰাই কেতিয়াবা হোৱা বুলি আমি জনাত নাই।"

যাদুকৰী জগ্‌তাই বুঢ়ীয়ে অতি ধীৰে-সুস্থিৰে ক'লে, "ঠিক আছে, তই পাঁচটা দিন মোৰ ওচ'তে থাকিবি। পেহী বুলি মাতিলিয়েই যেতিয়া—মই তোৰ অদিষ্টৰ আখৰকেটা ভালকৈ নোচোৱাকৈ নেৰোঁ তোক। ৰাজকুঁৱৰীৰ সৈতে তোৰ বিয়াখন পাতিব পাৰোঁনে কি চাওঁ। আমাৰ মহাৰাজ বুঢ়া হ'ল। তেওঁৰ তো ল'ৰা নাই। গতিকে—চাওঁ কি কৰিব পাৰোঁ।"



এক অভাৱিত ঘটনাচক্ৰত পৰি যাদুকৰী জগ্‌তাই বুঢ়ীৰ সৈতে মহাৰাজ-মহাৰানীৰ আৰু ৰাজকুঁৱৰীৰো চা-চিনাকি হৈছিল। ঘটনাটো আছিল ঃ

এবাৰ মহাৰাণীক লগত লৈ মহাৰাজ যেতিয়া বনবিহাৰলৈ ওলাইছিল তেতিয়া মহাৰাণী আছিল গৰ্ভৱতী। হঠাৎ এটা নাহৰফুটুকী বাঘ মহাৰাজৰ ৰথৰ ওপৰলৈ জঁপিয়াই পৰিল। তেতিয়া জগ্‌তাই বুঢ়ী যাদুকৰী এই তেঁতেলীজোপাৰ তলতে থিয় হৈ আছিল। মহাৰাজে নাহৰ-ফুটুকীটোক বধিলে। কিন্তু ভয়ৰ কোবতেই হওক বা যিকোনো কাৰণতে নহওক—মহাৰাণীৰ প্ৰসৱবেদনা আৰম্ভ হ'ল। তেতিয়া—আৰু কোনো উপায় নাপাই মহাৰাজে আসন্নপ্ৰসৱা মহাৰাণীক জগ্‌তাই যাদুকৰীৰ পঁজালৈ লৈ গ'ল আৰু তাতেই মহাৰাণীয়ে কন্যাসন্তান এটি প্ৰসৱ কৰিলে। কিন্তু—দুৰ্ভাগ্যক্ৰমে, প্ৰসৱকালতে মহাৰাণীৰ মৃত্যু হ'ল।

এই কন্যাসন্তান—বৰ্তমান ৰাজকুঁৱৰী প্ৰমীলা দেখাত অতি কুৰূপা। মহাৰাজে এই কুৰূপা কন্যাক অন্তঃপুৰত ৰাখি প্ৰতিপালন কৰিছিল, অন্তঃপুৰৰ বাহিৰলৈ যাবলৈ দিয়া নাছিল অসন্মানৰ ভয়ত। ইমান কুৰূপাজনীৰ বিবাহ ৰবাবে



কোনো চেষ্টা-প্ৰচেষ্টায়েই কৰা নাছিল।

যি কি নহওক, এই সূত্ৰত, ৰজাৰ অন্তেষপুৰলৈ জগ্‌তাই বুঢ়ী যাদুকৰীৰ আহ-যাহ আছিল।

পাছদিনা, সজা এটাৰ ভিতৰত ভাটৌ এজনীক ভৰাই লৈ জগ্‌তাই গ'ল মহাৰাজৰ প্ৰাসাদলৈ। মহাৰাজে জগতাই বুঢ়ীৰ কুশল সুধিলে। জগতাই বুঢ়ীয়ে ৰাজকুঁৱৰীৰ কক্ষলৈ বুলি খোজ ললে।

সজাৰ তিভৰত থকা ভাটৌজনীক দেখি ৰাজকুঁৱৰীয়ে অতি ভাল পাই জগ্‌তাই বুঢ়াক সুধিলে, "পেহী, এইজনীক—তুমি বাৰু ক'তনো পালা?"

"জংগলত—।" জগ্‌তায়ে হাঁহিলে।

"জংগল মানে কি? —জংগল দেখাত কেনেকুৱানো?" ৰাজকুঁৱৰীয়ে সুধিলে!

"মোৰে সৈতে যোৱা যদি—মই তোমাক সকলো দেখুৱাম। কিন্তু—তোমাক যদি এনেকৈ মই লৈ যাবলৈ চেষ্টা কৰোঁ, তেতিয়া তোমাৰ দেউতাৰাই মোক মাৰি পেলাব। গতিকে—মই তোমাকো এজনী টিঁয়ালৈ পৰিৱৰ্তিত কৰিহে লৈ যাম। —যাবানে?"

জগ্‌তাই বুঢ়ীৰ প্ৰস্তাৱত ৰাজকুঁৱৰী আনন্দৰে সন্মত হ'ল। জগতায়ে আচল ভাটৌহনীক সজাৰপৰা এৰি দিলে আৰু ৰাজকুঁৱৰীক ভাটৌলৈ ৰূপান্তৰিত কৰি সজাৰ ভিতৰত ভৰাই লৈ অন্তেষপুৰ এৰি অৰণ্যলৈ বুলি খোজ ল'লে।

জগ্‌তাই যাদুকৰীয়ে যেতিয়া তাইৰ অৰণ্যৰ পঁজা পালেহি, তেতিয়া পৰবীণে জগ্‌তাই বুঢ়ীক ক'লে, "পেহী—মই চকুৰে একোৰেই নেদেখা হৈছোঁ।"

জগ্‌তাই বুঢ়ী যাদুকৰীয়ে পৰবীণৰ পিঠিত থপৰিয়াই ক'লে, "চিন্তা নকৰা, বোপা। তোমাৰ চকুৰ দৃষ্টি নিশ্চয় আকৌ ঘূৰাই পাবা। মই যিজনীক লগত লৈ আহিছোঁ—তায়েই তোমাৰ হেৰোৱা দৃষ্টিশক্তি ঘূৰাই দিব।"

জগতায়ে কিবাকিবি মন্ত্র মাতিলে, আৰু লগে লগে সজাৰপৰা উলিয়াই অনা টিঁয়াজনী পুনৰ ৰাজকুঁৱৰী হৈ গ'ল। জগতায়ে আকৌ মন্ত্র মাতিলে, ৰাজকুঁৱৰী প্রমীলাৰ হাতত দৰবৰ দৰে কিবাকিবি দিলে আৰু ক'লে, "ইয়াৰ চকুত এই দৰব লগাই দিয়া। মই এটা বিশেষ কামলৈ অলপ ওলাইছোঁ, আক' অলপ পাছত আহিম। তুমি তাৰ চকুত দৰব লগায়েই থাকিবা।" এই বুলি কৈ, জগতাই বুঢ়ী যাতুকৰী গ'লগৈ।

প্রবীনক দেখি ৰাজকুঁৱৰী প্রমীলা অবাক। পুৰুষ মানুহ—ইমান ধুনীয়া হয়নে বাৰু? আৰু—আন এটা কথা ভাবি ৰাজকুঁৱৰীয়ে মনত বৰ দুখো পালে। ইমান ধুনীয়া মানুহজন—চকুৰে মনিব নোৱাৰা! আস্!

চকুত সেই দৰব লগাই থাকোঁতে ৰাজকুঁৱৰীক এসময়ত সুধিলে প্রবীণে, "তুমিনো কোন?" আৰু লগে লগে প্রবীণে ৰাজকুঁৱৰীৰ হাত এখনত ধৰিলে।

"মই—মই জগতাইৰ নাতিনীয়েৰ।"

"অঃ!" প্রবীণে মুখেৰে মাত্র ইমানকে কৈ বৈ দিলে।

তাৰ পাছত ৰাজকুঁৱৰী প্রমীলাই পুনৰ টিঁয়াৰ ৰূপ ধৰি উৰি উৰি ৰাজপ্রাসাদলৈ গ'ল। ৰাজপ্রাসাদ পায়েই আকৌ টিঁয়া গুচি ৰাজকুঁৱৰী হ'ল। এই মন্ত্র জগতাই বুঢ়ী যাতুকৰীয়ে ৰাজকুঁৱৰীক শিকাই দিছিল।

পাছদিনা দুপৰীয়াৰ পৰতে ৰাজকুঁৱৰী টিঁয়া হৈ আকৌ উৰি উৰি যাতুকৰীৰ পঁজা পালেহি। পঁজা পাই—পুনৰ টিঁয়াৰপৰা ৰাজকুঁৱৰীৰ মূর্তি ধৰি প্রবীণৰ চকুত দৰব লগাই দিলেহি।

এইদৰে দহদিন চলিল।

জগতাই বুঢ়ী যাতুকৰীৰ নাতিনীয়েৰৰ অবিহনে প্রবীণে এতিয়া তাৰ বুকুত কষ্ট অনুভৱ কৰি থকা হ'ল। ভবা হ'লঃ

এইজনীৰ অবিহনে জীৱন হ'ব উকা।

এঘাৰ দিনৰ দিনা ৰাতিৰ পৰতে পৰবীণে জগতাই বুঢ়ীক ক'লে তাৰ মনৰ কথা। সেইজনীক বিয়া নকৰালে তাৰ জীৱন হেনো হ'ব বৃথা।

"কিনো কোৱা বোপা, তাইকনো কেলেই লাগিছে? মই তোমাক কোনোবা দেশৰ ৰাজকুঁৱৰীৰ সৈতেহে যোৱা পাতি দিম বুলি ভাবিছোঁ দেখোন!" জগ্‌তায়ে ক'লে।

"নালাগে মোক ৰাজকুঁৱৰী। বিয়া যদি দিয়া—লাগে এইজনীৰ হিয়া।" পৰবীণে খাৰাংখাচকৈ কৈ দিলে।

তেতিয়া জগতাই বুঢ়ী যাদুকৰীয়ে মন্ত্ৰ এফাকি মাতি পৰবীণৰ চকুযুৰিত ফু মাৰি দিয়াৰ লগে লগেই পৰবীণে তাৰ আগত জগ্‌তাই বুঢ়ীৰ সেই নাতিনীয়েকক দেখা পাই ভয় খাই চিঞৰি উঠিল।

"এতিয়াও বিয়াৰ মন আছেনে? কোৱা, বোপা। তুমি আমাৰ এইজনীকে সঁচা সঁচিকৈ বিয়া কৰাবা জানো?" জগতায়ে সুধিলে।

প্ৰবীণে কেইমুহূৰ্তমান চুপচাপ হৈ থকাৰ অন্তত ক'লে, "পেহী, বাহিৰৰ ৰূপেই সকলো নহয়, সৌন্দৰ্য্যপ্ৰেম নিশ্চয় পৱিত্ৰ, কিন্তু সৰাতোকৈ পৱিত্ৰ হ'ল চৰিত্ৰ। দেখাত যেনেকুৱাই নহওক মই এইজনী চৰিত্ৰৱতীকে বিয়া কৰাম।"

তেতিয়া জগতাই বুঢ়ী যাদুকৰীয়ে ৰাজকুঁৱৰী প্ৰমীলাৰ হাতত এধাৰি ফুলমালা দিলে, সেই মালাধাৰি প্ৰমীলাই প্ৰবীণৰ ডিঙিত পিন্ধোৱাৰ লগে লগেই দেখাত ৰাক্ষসীহেন প্ৰমীলাজনী এক অপূৰ্ব সৌন্দৰ্য্যৱতী ৰাজেন্দ্ৰাণী হৈ পৰিল।

পাছত মহাৰাজেও হৃষ্টমনেৰে এইখন বিবাহ মানি লৈছিল আৰু তেওঁৰ মৃত্যুৰ অন্তত প্ৰবীণেই সেই দেশৰ ৰাজসিংহাসন প্ৰাপ্ত হৈছিল।



মায়া মহল

৭

[আগৰ কথা : বিগ্যাৰতীয়ে ৰাজকুঁৱৰীক বিচাৰি ওলোৱা মহেন্দ্ৰনাথে অতি ক্ষীণ পোহৰৰ মাজত সেই প্ৰকাণ্ড দুৱাৰৰ আগত বহি ভাবি থাকিল : এই তিৰোতা-মহলতে ৰাজকুঁৱৰী বিদ্যাৱতীক আটক কৰি থোৱা হৈছেনে ? যদি ইয়াতে আটক কৰি থোৱা হৈছে—মইনো কেনেকৈ তাৰ ভেদ পাম ? সাহসী মহেন্দ্ৰনাথে এই কথা ভাবি পাৰ-কূল নাপালে যে ইয়াত অভাৱিতভাবে দুৱৰীৰ কাম এটা পায়ো ৰহাস্যৰ দুৱাৰ কেনেকৈ খুলিব পাৰি, কেনেকৈ ষড়যন্ত্ৰৰ মকাৰাজাল ছিন্নভিন্ন কৰিব পাৰি। তাৰ দুচকুৰ আগত নিঃসীম অন্ধকাৰ আৰু অন্ধকাৰ··· তাৰ পাছত···]

মহাৰাণীয়ে কৈ আছিল, "বিদ্যাৰতী নিৰুদ্দেশ হোৱাৰ এসপ্তাহ পাৰ হ'ল। কিন্তু—কথা অতি আচৰিতেই—আজি-পৰ্য্যন্তও কোনো সম্বাদেই নিমিলিল !"

মহাৰাজে মহাৰাণীৰ কথাৰ উত্তৰত "বিদ্যাৰতীক বিচাৰি চাৰিওফালে চিপাহীবোৰ ওলাইছে যে — সিহঁত এতিয়ালৈকো উভতি অহা নাই। আমাৰ ৰাজ্যৰ কিছুমান সাধাৰণ নাগৰিকেও এই প্ৰচেষ্টা চলাইছে। কিবা ধৰণৰ সুসম্বাদ শীঘ্ৰেই মিলিব বুলি আশা। তুমি ইমান দুশ্চিন্তিত নহ'বা।"

"মহেন্দ্ৰনাথ নামৰ কোনোবা এজন—"

মহাৰাণীৰ কথাৰ মাজতে মহাৰাজে কৈ উঠিল, "ওঁ, ওঁ—সি-ও উভতি অহা নাই। মোৰ ধাৰণা—সি পাৰিব।

বিদ্যাৰতীক সি বিচাৰি উলিয়াব পাৰিব !”

“তাইক অপহৰণ কৰি যে কোনোবা দূৰ দেশলৈ লৈ যোৱা নাই — তাকো ন-দি ক'ব নোৱাৰি ।” মহাৰাণীয়ে ক'লে।

“এই সন্দেহৰ বশৱৰ্তী হৈ উগ্ৰসেনে পাৰ্শ্বৱৰ্তী ৰাজ্য সমূহলৈকো আমাৰ গুপ্তচৰ প্ৰেৰণ কৰিছে। গতিকে—তুমি চিন্তাকুল নহ'বা। আৰু—আৰু কেইদিনমানৰ অন্তত আমাৰ বিদ্যাৰতীৰ গ্ৰহ-বৈগুণ্যও নোহোৱা হ'ব। গতিকে—তাইক অতি শীঘ্ৰেই আমি আকৌ দেখা পাম বুলি আশা। মই—আমাৰ বাচস্পতিদেউক এতিয়াই মতাই অনাম আৰু তেওঁৰপৰা গ্ৰহ-বৈগুণ্যৰ কথাখিনি খৰচি মাৰি জানি ল'ম। এই বুলি কৈ মহাৰাজে প্ৰহৰী-চৰ্দাৰ এজনক চকুৰ ইংগিতেৰে মাতি আনি জ্যোতিষাচাৰ্য্য বাচস্পতিক লৈ আহিবলৈ আদেশ দিলে।

গধূলিপৰতে বাচস্পতিদেউ মহাৰাজৰ ওচৰলৈ আহিল আৰু ক'লে, “মহাৰাজ ! মই আপোনাৰ ওচৰলৈ আহি থাকোঁতেই প্ৰহৰী-চৰ্দাৰৰ সৈতে বাটত দেখা হ'ল। মোৰ লগত মোৰ এই শিষ্য ইন্দ্ৰনাথো আহি আছিল। শিষ্য ইন্দ্ৰনাথে বিশেষ খবৰ এটা দিলেহি—” এইখিনিলৈকে কৈয়েই বাচস্পতিদেউৱে ইন্দ্ৰনাথলৈ কিবা ইংগিত কৰিলে।

মহাৰাণীয়ে কৈ উঠিল, “কি খবৰ ? আমাৰ বিদ্যাৰতীৰ কিবা খবৰ হয়নে ?”

তেতিয়া ইন্দ্ৰনাথে ক'লে, “এক প্ৰকাৰে—খবৰটো প্ৰায় তেনেকুৱাই। মহাৰাণী ! মই জ্যোতিষশাস্ত্ৰৰ বিষয়ে কিছু গুৰুত্বপূৰ্ণ কথাৰ ভেদ ল'বলৈ কিছুমান প্ৰমুখ জ্যোতিষীৰ ওচৰলৈ গৈছিলোঁ। তেতিয়া তেওঁলোকে মোক ক'লে যে—ৰাজকুঁৱৰী এগৰাকীৰ কোষ্ঠী বিচাৰ কৰাৰ বাবে তেওঁলোকক হেনো জগৎপতাচাৰ্য্যদেউৱে মতাই অনালে। মই মোৰ গুৰুজীৰ গৃহত সেই জগৎ-

পতাচাৰ্য্যদেউক দুই-চাৰিবাৰ দেখা পাইছিলোঁ। এতেকে—এই খবৰটো গুৰুক দিবৰ মনেৰে মই তাৰপৰা পোনে পোনেই গুৰুৰ গৃহলৈ আহিছিলোঁ। কিন্তু —গুৰুগৃহত জগৎপতাচাৰ্য্যদেউক নাপাই মই কিঞ্চিত বিস্ময় বোধ কৰিছিলোঁ।"

"যেই কি নহওক—জগৎপতিদেউ কেনেকুৱা, বা তেওঁৰ কাম-কাজ কিমানদূৰ বিশ্বাসযোগ্য বা নিৰ্ভৰ কৰিব পৰা—সেই কথা জনা আৰু ভবা আৱশ্যক। আমাৰ অগোচৰে তেওঁ ৰাজকুমাৰীৰ বিষয়ে অন্যান্য পণ্ডিত জ্যোতিষীসকলৰ দ্বাৰা গণনা কৰাব কিয় যে লাগিছে—আমি বুজা নাই। হয়তো—ৰাজকুমাৰীৰ কিবা সুখকৰ সম্বাদ আমাক আনি দিবলৈকে তেওঁ তেনেকুৱা কৰিছে। তাৰ বাবে আমি অপেক্ষা কৰিব লাগিব।" মহাৰাজে ক'লে।

"আজিলৈকে জগৎপতিদেউৰ সম্পৰ্কে কোনো ধৰণৰ সন্দেহ কৰাৰ কোনো কাৰণ ঘটা নাই। কিন্তু এতিয়া যে কিয় মোক পৰিহাৰ কৰি মোৰ অগোচৰে ৰাজকুঁৱৰীৰ কোষ্ঠীবিচাৰ আনৰদ্বাৰা কৰাব লাগিছে—তাকেহে বুজা নাই। এতিয়া জানিব লাগিব যে তেওঁ আছে ক'ত আৰু কৰিছে কি। যি কি নহওক—তেওঁৰ সা-সন্ধান পোৱামাত্ৰেই মই নিজে নিজেই

আপোনাৰ ওচৰলৈ আহিম।" "এই কথা কৈ, ইন্দ্ৰনাথক লগত লৈ, জ্যোতিষাচাৰ্য্য বাচস্পতিয়ে তাৰপৰা প্ৰস্থান কৰিলে।

এই সম্বাদ মহাৰাজে তেওঁৰ সেনাপতি উগ্ৰসেনক মতাই অনাই ক'লে।

শুনি উগ্ৰসেনে ক'লে, "ৰাজকুঁৱৰীৰ কোষ্ঠি-বিচাৰৰ কাৰ্য্যত সেই জগৎপতিৰ অত্যধিক আগ্ৰহই আগতেও মোৰ মনত সন্দেহ জগাই তুলিছিল। আৰু— ৰাজকুঁৱৰী অদৃশ্য হোৱাৰ ঘটনাই মোৰ আগৰেপৰাই হৈ থকা সন্দেহকহে দৃঢ়তৰ কৰিলে। জগৎপতিৰ জন্মস্থানৰ তথা তেওঁৰ বংশ-পৰিচয়ৰ কথাখিনি জনাৰ বাবে মই

সিপিনে—মহেন্দ্ৰনাথ ওৰে ৰাতি উজাগৰে থাকিল। কিন্তু উজাগৰে থাকিও তাৰ কোনো কষ্ট অনুভৱ নহ'ল। সি দুৱাৰৰ একাষত অলপ পৰলৈ ৰহি ৰ'ল। তাৰ পাছত—তিৰোতা—মহলৰ দুৱাৰ আৰু ফুলনিৰ মাজত থকা সৰু বাট এছোৱাৰে গৈ থাকিল আৰু কিবাকিবি পৰীক্ষা যেন কৰি থাকিল। তিৰোতা-মহলৰ তলৰ মহলাৰ কক্ষবোৰৰপৰা তেতিয়ালৈকো চাকিৰ পোহৰ ওলাই আছিল। কিছু সময়ৰ অন্তত সেইবোৰ চাকি নুমাই দিয়া দেখা গ'ল। কেৱল ওপৰ মহলাৰ দুটা কক্ষত চাকি জ্বলি থকা দেখা গ'ল। তাৰ পাছত এসময়ত সেইবোৰো নুমাল আৰু চাৰিওদিশ নিমজ এন্ধাৰ হৈ পৰিল।

ৰাতি পুউৱাৰ লগে লগেই দুৱৰী দুধনাথ মহেন্দ্ৰৰ ওচৰলৈ আহিল আৰু দুধনাথে তাক অট্টালিকাৰ দক্ষিণ দিশলৈ লৈ গ'ল। তাত খোৱা-কোঠা এটাত সোমাই দুয়ো পুৱাৰ জলপান খাবলৈ বহিল। খাই থাকোঁতে মহেন্দ্ৰই এবাৰ ঘূৰি চালে। বগা বৰণীয়া শাড়ী পিন্ধা এজনী আদ-বয়সীয়া তিৰোতাক ৰান্ধনি শালৰপৰা ওলাই অহা দেখা পালে সি। এইজনীৰ পিছে পিছে—দেখাত আৰু

বহু ধৰণে চেষ্টা চলায়ো সফল হ'ব পৰা নাই। জগৎগতি—ক'বই লাগিব—এজন অতি ৰহস্যময় ব্যক্তি। এনে ৰহস্যময়তাৰ আৱৰণেৰে আবৰা ব্যক্তি এজনৰ বিষয়ে যথেষ্টৰূপে সাৱধান হোৱা আৱশ্যক।"

"মহেন্দ্ৰনাথৰ কিবা খবৰ আছেনে?"

মহাৰাজৰ এই প্ৰশ্নৰ উত্তৰত উগ্ৰসেনে ক'লে, "এতিয়ালৈকো কোনো খবৰ পোৱা নাই। কিন্তু—মহেন্দ্ৰই ৰাজকুঁৱৰীৰ সা-সন্ধান আমাক আনি দিব পাৰিব বুলিহে মই—কিয় যে ক'ব নোৱাৰোঁ—প্ৰায় নিশ্চিতভাবে ভাবিছোঁ।"

শুনি মহাৰাজেও মূৰ দুপিয়ালে।

পিন্ধন-উৰণতো হুবহু একেই—আন দুজনী লিগিৰীকো ওলাই অহা দেখা পাই মহেন্দ্ৰই কিঞ্চিত বিস্ময় বোধ কৰিলে। তাৰ পাছত—জা-জলপান খোৱাৰ অন্তত—মহেন্দ্ৰ গ'লগৈ দুৰৰী দুধনাথৰ কোঠালৈ।

তেতিয়া বেলিয়ে লাহ দিব ধৰিছে। মহেন্দ্ৰনাথে তিৰোতা-মহলত পৰ দি থাকোঁতে—কিছু ওখ বিৰাটবেদী এটাৰ ওপৰত উঠি চাৰিওফালে চালে। কিছু দূৰত তিৰোতা-মহলৰ ওপৰ মহলালৈ যোৱাৰ চিৰিৰ একাংশ দৃষ্টিগোচৰ হৈছে। ঠিক তেতিয়াই কোনোবা এজনী উদ্যানলৈ আহি থকাত মহেন্দ্ৰ বেদীৰপৰা নামি আহিল। সেই আদ্-বয়সীয়া তিৰোতা-জনীয়েই উদ্যানৰ পিনে গৈ আছিল, আৰু সেইজনীৰ পিছে পিছে গৈ আছিল ধুনীয়া ফুল এপাহিৰ দৰে ধুনীয়া আন এজনী যুৱতী। এই যুৱতীৰ পিন্ধনতো ভোজন-কক্ষৰ লিগিৰী দুজনীৰ দৰে কাপোৰ-কানি। একেইবিধৰ সাজ-পাৰ। দেখাতো প্ৰায় একেই। কিন্তু তথাপি সৌন্দৰ্য্যৰ প্ৰভেদ মন কৰিবলগীয়া।

যি কি নহওক—মহেন্দ্ৰই ইফালে-সিফালে অহা-যোৱা কৰি থাকিল তাৰ পৰ দিয়াৰ অংগ হিচাপে সি একেথিৰে চাই থকালৈ আন কোনোবাই মন কৰে যদি—বিপদ হ'ব পাৰে।



মানুহ দুজনীয়ে কোনো মাত-বোল কৰা নাছিল। ইতিমধ্যে আন এজনী যুৱতী তালৈ আহিল আৰু সেই আদ্-বয়সীয়া তিৰোতাজনীৰ কাণে কাণে তাই কিবা ক'লে। এইবাৰ আদ্ বয়সীয়া তিৰোতাজনীয়ে ক্ষিপ্ৰভাৱে তিৰোতা মহললৈ গৈ থাকিল আৰু সঙ্গে অহা যুৱতীজনী আগৰ ফুলহেন যুৱতীৰ কাষ চাপিল। দুয়োজনী দেখাই-মেলাই হুবহু একেই যেন লগাত মহেন্দ্ৰ অতিপাত বিস্মিত হ'ল। আৰু তাৰ বিস্মিত দৃষ্টিৰ আগেদিয়েই দুয়োজনীয়েই তিৰোতা মহলৰ পিনে গুচি গ'ল।

লগে লগে ওপৰ মহলাৰ কক্ষ এটাৰ ভিতৰত চাকি জ্বলি উঠিল। কিন্তু—এই কক্ষটো কালিৰ সেই কক্ষটো নাছিল, আছিল এটা নতুন কক্ষ।

মহেন্দ্ৰনাথে বহি বহি ভাবি থাকিল: এইজনী যুৱতীয়েই বাৰু ৰাজকুঁৱৰীনে? দুধনাথে কিবা—এইজনীৰ কথাকে কৈছিলনে? কিন্তু—কোনজনী? উদ্যানত নিৰৱে-নিমাতে আলফুলে খোজ দি দি ফুৰি থকাজনীনে আনজনী? দেখাত—দুয়োজনীয়েই দেখোন এক!

বহু সময়ৰ অন্তত দুৱৰী দুধনাথ আহিল। মহেন্দ্ৰৰ কাৰণে ভাত লৈ আহিছিল দুধনাথে।

মহেন্দ্ৰই দুধনাথক হঠাৎকৈ সুধিলে, "চাৰিওফালে একেবাৰে নিজম পৰি যোৱা যেন লাগিছে। ককাইদেউ, তোমালোকৰ মালিক গ'লগৈনে কি?"

"নহয় অ'—" দুধনাথে সৰল মনেৰেই ক'লে, "মালিক মালিকৰ মহলতে আছে। তেওঁ এতিয়া দিনে-নিশাই জুতিষ চৰ্চ্চিছে। সেই যে বোলে—'দিনে-ৰাতি চৰ্চ্চিবাহা কিঞ্চুৰ কথাক'—ঠিক তেনেকৈ। যদিও সকলোতে নিমাত, তথাপি—তুমি পৰীয়াই পৰ দিয়াত কিন্তু মুঠেও ঢিলাই নিদিয়া। বুইছা?"

RAZI

"মই যে ইয়াত পৰ দিওঁ—আমাৰ মালিকে জানেনে?" মহেন্দ্ৰই খাই উঠি মুখ ধুই থাকোঁতে সুধিলে।

"কিয় নাজানিব? জানে তো—। কথাটো কালিয়েই মই মালিকক কৈছিলোঁ। আচল কথা হ'ল—এতিয়া ইয়াত আন কোনোবা ৰাজ্যৰপৰা অহা ৰাজকুঁৱৰী এগৰাকী আছে, আৰু—আৰু কিছুদিনলৈ হেনো থাকিব। গতিকে—পৰীয়া হিচাপে তুমি অধিকতকৈয়ো অধিক সাৱধান হৈ থাকিবা।" দুধনাথে মহেন্দ্ৰনাথক বুজাই ক'লে।

"তুমি ককাইদেউ—এই কথাত একেবাৰে নিচিন্ত হৈ থকা। মোৰ কাৰণে তোমাৰ যাতে অপমান নহয়—ককৰ্থনা-বিকৰ্থনা সহিবলগা নহয়—সেই কথা সদা সৰ্বক্ষণেই মোৰ মনত থাকে। তুমি মোৰ ইমান উপকাৰ কৰিলা—মই কিবা অপকাৰ কৰিমনে বাৰু তোমাৰ? মুহূৰ্তৰ বাবেও মই পৰ দিয়াত ঢিলাই নিদোঁ।" মহেন্দ্ৰনাথে দুধনাথ দুৱৰীক পৰিপূৰ্ণ ভাবে আশ্বস্ত কৰিলে।

দুধনাথ তাৰপৰা গুচি গ'ল।

উদ্যানৰপৰা তিৰোতা-মহলখন বৰ ভালকৈ পৰিদৃষ্ট হয়। তিৰোতা-মহলৰ আটাইবোৰ দুৱাৰ বন্ধ। মহলৰ তল-মহলাৰ দুৱাৰ-খিৰিকীবোৰ নিশ্ছিদ্ৰভাৱে বন্ধ আছিল। কেৱল ওপৰ-মহলাৰ খিৰিকী খনদিয়েক খোলা হৈ আছিল। তেতিয়া চাৰিওদিশ নিমাত-নিস্তব্ধ।

মহেন্দ্ৰনাথ উদ্যানৰ সোঁমাজত নিমজ অন্ধকাৰৰ মাজত স্থাণুৰ দৰে থিয় হৈ থাকিল। সি ভাবি থাকিল: ৰাজকুঁৱৰীক বিচাৰি উলিয়াবলৈ কি কৰা উচিত?

তাৰ পাছত মহেন্দ্ৰই পুনৰ খোজ ল'লে আৰু চিন্তাযুক্ত মনেৰে পুনৰ সেই তিৰোতা-মহলৰ ঘাই দুৱাৰৰ ওচৰ পাই পৰীয়াৰ কৰ্তব্যৰ বাবে বৈ দিলে। [আগলৈ

ধৰম চিয়া

অটল প্ৰতিজ্ঞাৰে আৰব্ধ ধৈৰ্য্যশীল ৰজা বিক্ৰমাদিত্যই পুনৰ সেই বিশেষ মৃতদেহটো ডালৰপৰা নমাই আনি কান্ধত পেলাই লৈ শ্মশান বুলি গৈ থাকিল। তেতিয়া মৃতদেহৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰাজন্! উদ্দেশ্য সিদ্ধিৰ বাবে তোমাৰ অভাৰিত ধৈৰ্য্যশীল এই শ্ৰম এই নৈপুণ্য যদিও প্ৰশংসনীয়, তথাপি ই সদায় বাঞ্ছা কৰা মতে ফলৱতী নহ'বও পাৰে। এই প্ৰসংগক্ৰমে আজি মই তোমাক ৰাজকোঁৱৰৰ জয়ন্তৰ কাহিনী ক'ম। এই কাহিনীয়ে তোমাক আন একো দিব নোৱাৰিলেও ধৰমচিয়াৰ সম্পৰ্কে কিছু চিন্তাৰ সমল যোগাব আৰু তোমাৰ পথশ্ৰম নিশ্চয় কথঞ্চিত লাঘৱ কৰিব।" এই বুলিকৈ,বেতালে পুনৰ ক'বলৈ ধৰিলে:

'বেতাল-কথা'

বিজয়পুৰীৰ ৰজা শিৰসেন আছিল এগৰাকী মহান ধাৰ্মিক ৰজা। বহু বছৰ ধৰি নিঃসন্তান হৈ থকাৰ অন্তত ৰাণী ইন্দ্ৰাৰতীয়ে এটি কন্যসন্তান মহাৰাজলৈ উপহাৰ দিলে। বুঢ়াতে ওপজা এইজনীৰ নাম থোৱা হ'ল সূৰ্য্যমুখী।

সূৰ্য্যমুখী যেতিয়া পাঁচবছৰীয়া হ'ল, তেতিয়া তাইৰ শিক্ষাৰ বাবে ৰাজগুৰুৰ ওপৰত দায়িত্ব প্ৰদান কৰা হ'ল। কিন্তু ৰাজগুৰুৱে সূৰ্য্যমুখীৰ বিষয়ে লক্ষ্য কৰিলে যে—শাস্ত্ৰ শিক্ষাতকৈ যুদ্ধবিদ্যালৈহে সূৰ্য্যমুখীৰ ৰাপ বহুগুণে অধিক। গতিকে তেওঁ উপযুক্ত গুৰুৰ অধীনত সূৰ্য্যমুখীক যুদ্ধবিদ্যা শিক্ষাৰ বন্দৰস্ত কৰি দিলে।

তাইৰ আঠ বছৰ বয়সত সূৰ্য্যমুখীয়ে অশ্বাৰোহণ আৰু তৰৱাৰি-যুদ্ধত অভাৱনীয় দক্ষতা আৰ্জিলে। তাইৰ তৰৱাৰি-যুদ্ধৰ বিক্ৰমৰ তিষ্ঠিব পৰা কোনো নোলাল।

এতিয়া সূৰ্য্যমুখী যোল বছৰীয়া। সূৰ্য্যমুখীৰ মাতৃ মহাৰাণী ইন্দ্ৰাৰতীয়ে সূৰ্য্যমুখীক পাত্ৰস্থ কৰাৰ কথা মহাৰাজক সোঁৰৰাই দিলে। কিন্তু মহাৰাজৰ মনত তেতিয়া অন্য চিন্তা। তেওঁ সূৰ্য্যমুখীক সিংহাসনত অধিষ্ঠিত কৰাৰ কথা ভাবিছে।

এই কথাই যেতিয়া সূৰ্য্যমুখীৰো কাণ চুলেগৈ, তেতিয়া সূৰ্য মুখীয়ে এদিন তাইৰ মাকক ক'লে, "মা, মই কিছুদিনৰ বাবে দেশ-শাসন কৰি চাম বুলি স্থিৰ কৰিছোঁ। তাৰ পাছত মই বিয়া কৰাম। কথাটো—তুমি দেউতাক ক'বানে?

ৰাণীৰ পৰা কথাটো শুনি-ৰজাই সানন্দে সূৰ্য্যমুখীক সিংহাসনত অধিষ্ঠিত কৰিলে।

বহুদিনৰ অন্তত এদিন আনন্দিত মহাৰাজে সূৰ্য্যমুখীক ক'লে,"আই, তোমাৰ শাসন-দক্ষতালৈ চাই মই মুগ্ধ। এতিয়া তুমি বিয়া কৰালেই মই স্বস্তি লভিম।"

সূৰ্য্যমুখীয়ে ক'লে, "দেউতা, মই আপোনাৰ ইচ্ছাৰ প্ৰতিকূল কোনো কাম নকৰোঁ। বিয়া মই কৰিম। কিন্তু—

তৰৱাৰি-যুদ্ধত মোক পৰাজিত কৰিব পৰা জনকহে মই পতিৰূপে বৰিম।"

সমগ্ৰ ৰাজ্যত ৰাজকুঁৱৰী সূৰ্য্যমুখীৰ বিবাহৰ চৰ্তৰ কথা ঘোষণা কৰা হ'ল। এই ঘোষণাৰ কথা শুনি বিভিন্ন ৰাজ্যৰপৰা ৰাজকোঁৱৰসকল বিজয়পুৰীলৈ অহাৰ যো-জা কৰি থাকিল। ইতিমধ্যেই ভালেমান ৰাজকোঁৱৰ অ'ৰ-ত'ৰপৰা আহিল। কিন্তু—ৰাজকুঁৱৰী সূৰ্য্যমুখীৰ তৰৱাৰি-যুদ্ধৰ অভাৰিত কৌশলৰ আগত কোনো এজনো তিষ্ঠিব নোৱাৰিলে। কিছুমান ৰাজকোঁৱৰ ঢপলিয়াই আহিও যুদ্ধ নকৰাকৈয়েই হোঁহকা দিলে। চাওঁতে চাওঁতে এই কথা প্ৰচাৰিত হৈ পৰিল যে বিজয়পুৰীৰ ৰাজকুঁৱৰী সূৰ্য্যমুখীক তৰৱাৰি-যুদ্ধত পৰাজিত কৰিব পৰা এতিয়াও ওপজিবলৈহে আছে।

ক্ৰান্তিপুৰী ৰাজ্যৰ ৰাজকোঁৱৰ আছিল তীক্ষ্ণ বুদ্ধি তথা সাহসী। ৰাজকুঁৱৰী সূৰ্য্যমুখীৰ কথা শুনি ৰাজকোঁৱৰ জয়ন্ত সাধাৰণ নাগৰিকৰ বেশত বিজয়পুৰীলৈ গ'ল, আৰু কেইবাদিনো ধৰি সূৰ্য্যমুখীৰ তৰৱাৰি-যুদ্ধৰ অপূৰ্ব কৌশললৈ সুতীক্ষ্ণ ভাবে লক্ষ্য কৰিলে।

এদিন—সূৰ্য্যমুখী যেতিয়া বিজয়ী হ'ল তেতিয়া ছদ্মবেশী ৰাজকোঁৱৰ জয়ন্তই



ইমানকৈ হাত-চাপৰি বজালে যে—ৰাজকুঁৱৰী সূৰ্য্যমুখীৰ দৃষ্টি জয়ন্তৰ ওপৰত পৰিলগৈ। এই যুৱকৰ চকু-মুখত এক ৰাজকীয় ভাব লক্ষ্য কৰি ৰাজকুঁৱৰী সূৰ্য্যমুখী কিঞ্চিত আচৰিত হৈছিল।

যি কি নহওক—কেইবাদিনো ধৰি প্ৰত্যক্ষ ভাবে সূৰ্য্যমুখীৰ তৰৱাৰি-যুদ্ধৰ কলা-কৌশল লক্ষ্য কৰাৰ অন্তত—ৰাজকোঁৱৰ জয়ন্ত নিজ ৰাজ্য ক্ৰান্তিপুৰীলৈ উভতি গ'ল। তাৰ পাছত জয়ন্তই দিনে-নিশাই সূৰ্য্যমুখী-প্ৰদৰ্শিত কলা-কৌশল নিজে নিজে আয়ত্ত তথা অভ্যাস কৰি থাকিল আৰু কিছুদিনৰ পাছত এদিন

পুনৰ বিজয়পুৰীলৈ গুচি গ'ল।

এইবাৰ বিজয়পুৰীলৈ গৈয়েই জয়ন্তই সূৰ্য্যমুখীৰ বিৰুদ্ধে অস্ত্ৰধাৰণ কৰাৰ প্ৰস্তাৱ দিলে। তাৰ পাছত সূৰ্য্যমুখী আৰু জয়ন্তৰ মাজত ঘোৰ তৰৱাৰি-যুদ্ধ আৰম্ভ হ'ল। অলপ সময়ৰ মাজতেই সূৰ্য্যমুখীয়ে বুজি পালে যে—জয়ন্তও কম নহয়। কিন্তু এই একেই যুদ্ধ-কৌশল এইজন ৰাজকোঁৱৰে আয়ত্ত কৰিলে ক'ৰপৰা—সেই কথা ভাবি, আৰু—এইজন ৰাজকোঁৱৰক ইয়াৰ আগতেও কৰ'বাত দেখা দেখা যেন লাগি—ৰাজকুঁৱৰী সূৰ্য্যমুখী কিছু বিভ্ৰান্ত যেন হৈ পৰিল। যা হওক—ৰাজকুঁৱৰী সূৰ্য্যমুখীয়ে ৰাজকোঁৱৰ জয়ন্তৰ হাতৰ তৰৱাৰি ওফৰাই পেলোৱাৰ বাবে বহু ধৰণে চেষ্টা কৰিলে। কিন্তু সূৰ্য্যমুখীৰ সৰ্বপ্ৰচেষ্টা ৰাজকোঁৱৰ জয়ন্তই প্ৰতিহত কৰাৰ উপৰিও ৰাজকুঁৱৰী সূৰ্য্যমুখীৰ হাতৰ তৰোৱাল ওফৰাই পেলালে।

দৰ্শক ৰাইজে হৰ্ষধ্বনি কৰাৰ উপৰিও জয়ন্তৰ জয়ধ্বনিৰে গগন কঁপাই তুলিলে।

তেতিয়াহে সূৰ্য্যমুখীয়ে এই ৰাজকোঁৱৰ জয়ন্তলৈ ভালকৈ নিৰীক্ষণ কৰিলে আৰু এই কথা অভ্ৰান্ত ভাবে বুজি পালে যে—এইজনেই সেইজন—যিজনে তাইৰ তৰৱাৰি-যুদ্ধৰ শলাগ লৈ হাত-চাপৰি বজাইছিল।

কিন্তু পৰাজিত ৰাজকুঁৱৰী সূৰ্য্যমুখীয়ে ৰাজকোঁৱৰ জয়ন্তক বিবাহ কৰাত অস্বীকৃত হৈ জয়ন্তক ক'লে, "হে ৰাজকোঁৱৰ, এই কথা সত্য যে—আপুনি মোক তৰৱাৰি-যুদ্ধত পৰাজিত কৰিলে। তাৰ বাবে অভিনন্দন। কিন্তু আপোনাক মই আপোনালৈ বিবাহ কৰাব নোৱাৰিম। কিয়নো—সেই কাৰ্য্য ধৰ্মসন্মত নহ'ব।"

এই কথা শুনি ৰাজকোঁৱৰ জয়ন্তই ক্ষন্তেকমান চিন্তা কৰি তাৰ পাছত ক'লে, "হয়, আপুনি সঠিক কথাকে কৈছে। মই বিদায় লৈছোঁ, অনুমতি দিয়ক। নমস্কাৰ।"

এই বুলি কৈ, ৰাজকোঁৱৰ জয়ন্ত তৎক্ষণাৎ সেই ঠাইৰপৰা গুচি গ'ল।

*

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক ক'লে, "হে ৰাজন্! ৰাজকুঁৱৰী সূৰ্য্যমুখীয়ে নিজেই নিজৰ চৰ্ত ভংগ কৰিছিল যে—সেই কথাত নিশ্চয় কোনো সন্দেহ নাই। কিন্তু—কিয় কৰিছিল? আৰু ৰাজকোঁৱৰ জয়ন্তয়েইবা তেনেকৈ—আত্মসন্মানত যথেষ্ট আঘাত পায়ো কিয় তেনেকৈ তলমূৰ হৈ গুচি গৈছিল? মোৰ এই প্ৰশ্নৰ উত্তৰ জনা সত্বেও সঠিককৈ নোকোৱা যদি—তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব।"

বেতালৰ প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই বেতালক ক'লে, ৰাজকোঁৱৰ জয়ই ৰাজকুঁৱৰীৰ তৰৱাৰী-যুদ্ধৰ কৌশল ছদ্মবেশত থাকি প্ৰকাৰান্তৰে ৰাজকুঁৱৰী সূৰ্য্যমুখীৰপৰা শিক্ষা কৰিলৈছিল। তেনেকৈ শিক্ষা নকৰাহেঁতেন—ৰাজকোঁৱৰ জয়ন্তৰ অৱস্থাও অন্যান্য ৰাজকোঁৱৰৰ দৰেই হ'লহেঁতেন—বাঘৰ আগত ছাগৰ দশা হ'লহেঁতেন। গতিকে — ৰাজকুঁৱৰীয়ে জয়ন্তক বিবাহ কৰাৰ অংগীকাৰ প্ৰত্যাখ্যান কৰি—সেই বিবাহ ধৰ্মসন্মত নহ'ব বুলি কৈ—অতি সঠিক কামকে কৰিছিল। কিয়নো, তৰৱাৰি-বিদ্যাত ৰাজকুঁৱৰী সূৰ্য্যমুখীকে ৰাজকোঁৱৰ জয়ন্তই গুৰিনী অৰ্থাৎ গুৰু হিচাপে লৈছিল আৰু ৰাজকুঁৱৰীৰ কৌশলেৰেই ৰাজকুঁৱৰীক পৰাজিত কৰিছিল। শিষ্যই নাৰী-গুৰুক বিবাহ কৰাই প্ৰকৃততেই ধৰ্মসন্মত নহয় বুলি জয়ন্তই তলমূৰ হৈ গুচি গৈছিল।"

ৰজা বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ সাউতকৰে পুনৰ সেই গছলৈ উভতি গ'ল আৰু শ'টো সেই আওপুৰণি গছজোপাৰ প্ৰকাণ্ড ডালত পুনৰ ওলোমাই থোৱা হ'ল। [কল্পিত

পোহাৰী লেখ

তহচিলদাৰ তেনুৰাম বৰ্মাই এদিন খাজনা আদায় কৰাৰ অন্তত কৰাল নামৰ চাকৰ এজনক লগত লৈ ঘৰলৈ বুলি উভতি আহিব ধৰিছিল। গৈ গৈ যেতিয়া ৰাম-মন্দিৰ পালেগৈ, তেতিয়া এগৰাকী ব্ৰাহ্মণ মানুহে তহচিলদাৰক নমস্কাৰ কৰি ক'লে, "নমস্কাৰ, তচিলদাৰ ডাঙৰীয়া। আপোনালোকৰ গাঁৱত মই নতুন মানুহ। চৌধাৰী ডাঙৰীয়াৰ ঘৰলৈ— তেওঁলোকৰ ছোৱালী এজনীৰ বিয়াত পুৰোহিতৰ কাম কৰিবলৈ আহিছোঁ। যি কি নহওক— আপোনাৰ ঘৰত এসাজ আহাৰ কৰাব মোৰ বৰ মন গৈছে। অৱশ্যে—এয়া আপোনাৰ ইচ্ছাৰ কথা।"

তহচিলদাৰে ক'লে, "পণ্ডিতসকলৰ মতে —চাউলতে খাওঁতাৰ নাম লিখা থাকে। ঠিক আছে, ব'লক আমাৰ ঘৰলৈ।"

"আপুনি হ'ল প্ৰকৃত ধাৰ্মিক।"

ব্ৰাহ্মণে তহচিলদাৰৰ শলাগ ল'লে।

তাৰ পাছত তহচিলদাৰ, কৰাল আৰু ব্ৰাহ্মণে তহচিলদাৰৰ ঘৰ পালেহি। মন্দিৰৰ পুজাৰী কিবা কামত তহছিলদাৰ তেনুৰামৰ ওচৰলৈ আহিছিল, আহি—কথাই কথাই জানিব পাৰিলে যে—এই বামুণ মানুহজন আচলতে তেওঁৰ—অৰ্থাৎ মন্দিৰৰ পুজাৰীৰ আত্মীয়।

তেতিয়া সেই পুজাৰীয়ে তহচিলদাৰ তেনুৰামক ক'লে, "ডাঙৰীয়া, এই ব্ৰাহ্মণ মানুহজন যিহেতু মোৰ আত্মীয়, আমাৰ ঘৰত এওঁ যদি এসাজ ভাত-পানী নাখায় —তেনেহ'লে আমাক কিজানি পাপেই ছুব। আপুনি যদি বেয়া নাপায়—এওঁক

উদিতকুমাৰ শৰ্মা

আমাৰ ঘৰলৈ লৈ যাব খুজিছোঁ।"

তহচিলদাৰ তেনুৰামে তৎক্ষণাৎ সম্মতি দিলে আৰু দুই বামুণে এক হৈ খোজ লোৱাৰ পাছত কৰালে তেনুৰামক ক'লে, "মালিক, কেৱল আমাৰ চাউলতে বাউণ মানুহজনৰ নাম লিখা হৈ থকা যেন পাওঁ।"

কৰালে যে তেওঁক কিছু-কিঞ্চিত ইতিকিং কৰি কথাটো ক'লে—বুজাত তেনুৰামে টান নাপালে। তেওঁ কপট হাঁহিৰে কৰালক ক'লে, "চোৱা কৰাল, মোৰ কথাত সন্দেহৰ কোনো কাৰণ নাই। কেতিয়াবা আমাক খাবলৈ দিয়াথিনিও খাবলৈ নহয়। আৰু—কেৱল চাউলতে নহয়, যেইকোনো বস্তুতেই আমাৰ নাম লিখা থাকেই। লিখা নাথাকিলে—সেই বস্তু আমি খাবলৈ বা ল'বলৈ নাপাওঁ।"

কৰালে তহচিলদাৰৰ ঘৰৰ কাম কাজ কৰাৰ অন্তত নিজৰ ঘৰলৈ গ'ল। গৈ—গা-পা ধুই যেতিয়া খাবলৈ বহিল, ঠিক তেতিয়াই ঘৰৰ বাহিৰত কাৰোবাৰ মাত শুনা গ'ল। কৰাল খোৰা এৰি উঠিল, আৰু তাৰ ঘৈণীয়েকো তাৰ পিছে পিছে গ'ল। এনেতে কুকুৰ এটা পিছ দুৱাৰেদি সোমাই আহি কৰালৰ ভাত-আঞ্জাখিনি খাই খাস্তাং কৰিলে। কৰালৰ ঘৈণীয়েকে কুকুৰটোৰ কাণ্ড দেখি সেই কুকুৰটোক

গালিৰে একেবাৰে তেভূত কৰিলে।

এনে লণ্ডভণ্ড কাণ্ড দেখা পায়ো কৰাল অলপো আচৰিত-বিচলিত নহ'ল। কৰালে ক'লে, "আমাৰ মালিক সেই তচিলদাৰ ডাঙৰীয়াই যেনেকৈ কৈছিল—কথাটো ঠিক তেনেকুৱাই হ'ল দেখিছোঁ। এইখিনি চাউলত কুত্তাৰ নামহে লিখা আছিল। এই কথাত চিন্তা কৰি লাভ নাই। আকৌ এমুঠি বহাই দিয়া।"

কৰালৰ ঘৈণীয়েকে খেং কৰি উঠি ক'লে, "এইবোৰ ফুচুৰি দাৰ্শনিকতা বাদ দিয়া। ঘৰত — পইঁতাচোৰায়ো আৰু একো খোৰাবস্তু বিচাৰি নাপায়। গতিকে

— টেুঁটুলৈকে ফটফটীয়া পানী খাই ফটাফট্ টোপনি মাৰাগৈ যোৱা।"

কৰালে হুমুনিয়াহ কাঢ়ি ক'লে, "তেনেহ'লে—ভগমানে চাউলত মোৰ নাম লিখা নায়েই দেখিছোঁ। যি কথা তোমাক মই ধেমালিতে কৈছিলোঁ—সেই ধেমালিৰ কথায়েই যে ফলিব—গোজেই যে গজালি হ'বগৈ — কেনেকৈনো এনেবোৰ কথা ধাৰণা কৰিম? কথাটো তচিলদাৰ-মালিকক ক'বগৈ লাগিব।"

এনেতে কৰালৰ ঘৰৰ আগত গৰুৰ গাড়ী এখন ৰ'লহি। কৰালৰ শহুৰদেউতা আৰু শাহুৱেকো আহিল।

এস্!

কৰালে ভাবিলে: এতিয়া বজাৰলৈ যাব লাগিব, চাউল-তাউল কিনি আনিব লাগিব আৰু তাৰ পাছত—তচিলদাৰৰ ঘৰত ইমান কাম কৰি অহাৰ পাছত—এতিয়া ৰন্ধা-বঢ়াৰ কামতো তাইক ইটো-সিটো কৰি দিব লাগিব। ইপিনে—টোপনিয়ে মোক যিহে জোকাইছে!

কৰালৰ মুখৰপৰা কথা নোলোৱা হ'ল। কিন্তু ঘৈণীয়েকে হাঁহো হাঁহো মুখেৰে ক'লেহি কৰালক, "হেঁ — উঠাচোন, উঠা, এতিয়াহে বুজি পালোঁ যে পণ্ডিত-ইঁতৰ কথা—কি বোলেনে—পোহাৰী-লেখ নহয়। চাউলত নাছিল আমাৰ নাম—কিন্তু অইন খোৰাবস্তুত আছিল বুলিহে দেউতাই আমাৰ কাৰণে বিধোবিধ পৰ্সাদ লৈ আহিল। আহাঁ, দন টানি নাগেৰা চটাই খোৱাহি, আহাঁ।"

শুনিয়েই কৰাল জাঁপ মাৰি উঠিল আৰু প্ৰসাদৰূপী পিঠা-পায়সখিনি দন টানি খাই থাকোঁতে ভগৱানক উদ্দেশি মনে মনে ক'লে: এতিয়াহে বুজিলোঁ হে ভগমান—খোৰাবস্তুত বা যেইকোনো বস্তুতে তুমি কিজানি সঁচাসঁচিকৈ খাওঁতা-লওঁতাৰ নাম লিখি থোৱা!



চান্দমামা
ক্ৰোড়পত্ৰ-৫০

<u>ভাৰতৰ পশু-পক্ষী :</u>

গাধ

মূৰ্খৰো মূৰ্খ মানুহক আমি সাধাৰণতঃ 'গাধ' বুলি কওঁ, গালি পাৰোঁ, জোকাওঁ। কিন্তু প্ৰকৃততে গাধ আমি ভবাধৰণৰ নহয়। গাধ হ'ল অশ্ব প্ৰজাতিৰপৰা অহা জন্তু। গাধই তাৰ পালনকৰ্তাৰ আদেশ পালন কৰে, পালনকৰ্তাক মৰমো কৰে। তাৰ মানুহ-পালকৰ প্ৰয়োজন উপলব্ধি কৰিবপৰা বুদ্ধি গাধৰ মাজত নথকা নহয়, যদিও মানুহৰ প্ৰতি সাধাৰণ ভাবে গাধই কিছু সংকুচিত আচৰণ কৰা পৰিলক্ষিত হয়।

আমাৰ দেশত বনৰীয়া গাধ বিৰল বুলিয়েই ধাৰণা হয়, যদিও গুজৰাট ৰাজ্যৰ কচ্ছ অঞ্চলৰ অৰণ্যত যথেষ্ট সংখ্যাত পৰিদৃষ্ট হয় মোটামুটি এহেজাৰ বৰ্গমাইললৈকে বিয়পা ৰান্ অঞ্চলৰ বাল্লাৰ ভূমিত। আগতে পাৰস্য (আজিৰ ইৰান) দেশত বনৰীয়া গাধ যথেষ্ট সংখ্যাত পৰিলক্ষিত হৈছিল, যদিও এতিয়া আৰু নাই।

মোটামুটি ভাবে চাৰি ফুট ওখ এছীয় বনৰীয়া গাধৰ গা-ৰ বৰণ পাতল হালধীয়া আৰু আখ্ৰোট বৰণীয়া হয়। দেহৰ তলৰ ভাগ বগা। বনৰীয়া গাধবিলাকৰ কাণ চুথন চুটি। কাশ্মীৰৰপৰা লদাখ অঞ্চললৈকে বিয়পা বনৰীয়া গাধবিলাকৰ গাৰ বৰণ মটীয়া-ৰঙাবিধৰ। বনৰীয়া গাধবিলাকে মানুহক দেখা পালে বিনায় আৰু চিঞৰি থলক লগাই ঘণ্টাইপ্ৰতি ৫৫ মাইল বেগেৰে মানুহৰ ভয়ত ফেঁটীৰ মুৰ ছিঙা লৰ দি মানুহৰ চকুৰ সমুখৰপৰা পলায়।

সাহিত্যৰ দৰ্পণত আজিৰ ভাৰত

কৰ্ণাটক অঞ্চলত প্ৰাচীন আচাৰ-পৰায়ণ ব্ৰাহ্মণকুলৰ অন্যতম প্ৰাণেশাচাৰ্য্য আছিল প্ৰখ্যাত বেদজ্ঞ পণ্ডিত ব্যক্তি। তেওঁ ব্ৰাহ্মণ সম্প্ৰদায়ৰ আচাৰ-আচাৰসমূহ অতি নৈষ্ঠিকতাৰে তথা কঠোৰভাবে পালন কৰিছিল। তেওঁৰ পত্নীৰ ভৰি দুখন আছিল পক্ষাঘাতগ্ৰস্ত। প্ৰাণেশাচাৰ্য্যই পক্ষাঘাতগ্ৰস্ত পত্নীক সেবা কৰিছিল।

প্ৰাণেশাচাৰ্য্যদেউ যি চুবুৰীত বসবাস কৰিছিল, সেই চুবুৰীতে নাৰায়ণাপ্পা নামৰ আন এজন ব্ৰাহ্মণ আছিল। কিন্তু নাৰায়ণাপ্পা আছিল নীতিবিগৰ্হিত

‘সংস্কাৰা’ঃ সম্প্ৰদায়-সংবেদনৰ কাহিনী

ব্ৰাহ্মণ। এওঁ মদ খাইছিল, মাংস ভক্ষণ কৰিছিল আৰু জ্যেষ্ঠসকলৰ সম্পৰ্কেও বিৰূপ মন্তব্য কৰিছিল। এওঁৰ—এই নাৰায়ণাপ্পাৰ চন্দ্ৰী নামৰ এজনী সুন্দৰী প্ৰেমিকা আছিল।

হঠাৎ এদিন নাৰায়ণাপ্পা ঢুকাল। এই মৃত্যু সম্বাদ চন্দ্ৰীয়ে ব্ৰাহ্মণ প্ৰাণেশাচাৰ্য্যদেউক দিলে আৰু নাৰায়ণাপ্পাৰ অন্ত্যেষ্টিক্ৰিয়া ৰীতিসম্মতভাবে কৰিবলৈ অনুৰোধ কৰিলে। কিন্তু এই মৃত্যুৰ ঘটনাৰ ফলত এক নিদাৰুণ নৈতিক সমস্যাৰ সৃষ্টি হ’ল।

নৈতিকতাৰ ফালৰপৰা ব্ৰাহ্মণ-সমাজত নাৰায়ণাপ্পা পতিত মানুহ। কোনো নীতি-বিগৰ্হিত বামুণৰ মৃতদেহ কোনোবা সদ্‌ব্ৰাহ্মণে স্পৰ্শ কৰে কেনেকৈ? আৰু—এনে অধঃপতিত ব্ৰাহ্মণকুলকলংকৰ মৃতদেহ শাস্ত্ৰসম্মতভাবে দাহ কৰিব পাৰিনে? এই কথাত আলোড়ন উঠিল ব্ৰাহ্মণ-সমাজত!

চন্দ্ৰীয়ে নিজৰ দেহৰ সম্পূৰ্ণ গহনা-পাতিখিনি সোলোকাই প্ৰাণেশাচাৰ্য্যৰ আগত থৈ দিলে আৰু এইখিনিৰ বিনিময়ত হ’লেও মৃতকৰ দাহ-সংস্কাৰ কৰিবলৈ

অনুৰোধ কৰিলে। কিন্তু তথাপি ব্ৰাহ্মণ-সমাজ আগুৰাই নাহিল, সংকুচিত হৈয়েই থাকিল। প্ৰাণেশাচাৰ্য্যই এই সমস্যাৰ সমাধান বিচাৰি হাবাথুৰি খাই থাকিল। তেওঁ শাস্ত্ৰাদি অধ্যয়ন কৰি তন্ন তন্নকৈ অনুসন্ধান কৰিও কোনো পৰিষ্কাৰ পথ বিচাৰি নাপালে। তাৰ পাছত তেওঁ এই সমস্যাৰ সমাধান বিচাৰি হনুমান মন্দিৰলৈকো গ'ল, প্ৰাৰ্থনা কৰা হ'ল, কিন্তু তথাপি একো উপায় নোলাল।

বাটত চন্দ্ৰী তেওঁৰ কাৰণে বৈ আছিল, চন্দ্ৰীয়ে হঠাৎ প্ৰাণেশাচাৰ্য্যৰ পাদস্পৰ্শ কৰি সাষ্টাংগে প্ৰণাম কৰিলে। প্ৰাণেশাচাৰ্য্য চন্দ্ৰীৰ প্ৰতি যথেষ্ট কোমল হ'ল, কিন্তু এই বিষয়ে তাইক সহায় কৰিব নোৱৰা হৈয়েই থাকিল।

উপায় নেদেখি চন্দ্ৰীয়ে তাইৰ প্ৰেমিকাৰ মৃতদেহৰ দাহ-সংস্কাৰৰ বাবে শূদ্ৰ-সম্প্ৰদায়ৰ কাষ চাপিল। কিন্তু ব্ৰাহ্মণৰ মৃতদেহৰ দাহ-সংস্কাৰ কৰিলে তেওঁলোককো নিৰ্ঘাত পাপে ছুব। গতিকে—শূদ্ৰ-সম্প্ৰদায়েও চন্দ্ৰীক বিমুখ কৰিলে।

অতঃপৰ চন্দ্ৰী গ'ল মুছলমান সম্প্ৰদায়ৰ ওচৰলৈ। তেওঁলোকে চন্দ্ৰীক বিমুখ বা প্ৰত্যাখ্যান নকৰিলে।

ইতিমধ্যে কিছু সংখ্যক ব্ৰাহ্মণ মানুহো সংস্কাৰৰ বাধা নেওচি চন্দ্ৰীক সহায় কৰিবলৈ আগুৰাই আহিছিল, কিন্তু তেতিয়া ৰৰ দেৰী হৈছিল, মৃতদেহৰ সৎকাৰ-সংস্কাৰ মুছলমান সমাজখনে কৰি পেলাইছিল।

প্ৰাণেশাচাৰ্যৰ পক্ষাঘাতগ্ৰস্ত পত্নী ঢুকাল। এইবাৰ প্ৰাণেশাচাৰ্য্যই তেওঁৰ অপৰাধৰ প্ৰায়শ্চিত্তৰ বাবে সম্প্ৰদায় পৰিত্যাগ কৰি তীৰ্থভ্ৰমণলৈ ওলাই পৰিল।

ইউ. আৰ. অনন্তমূৰ্তি হ'ল কন্নড় তথা কানাড়ী ভাষা-সাহিত্যৰ সুপ্ৰসিদ্ধ লেখক। এওঁৰ জন্ম ১৯৩১ চনত। তেওঁৰ ৰচিত 'সংস্কাৰা' নামৰ উপন্যাসৰ চমু কাহিনী কোৱা হ'ল। নীতিৰ নামত অন্ধবিশ্বাসৰ কুফললৈ তেওঁ আঙুলিয়াই আমাৰ সমাজৰ অৱস্থা দেখুৱালে। প্ৰকৃত মানসিক পৱিত্ৰতা নথকা কেৱল আচাৰসৰ্বস্ব হ'লে তাৰ পৰিণাম কি হয়—প্ৰাণেশাচাৰ্য্য তাৰ দেখ দেখ প্ৰমাণ।

আমি জানো নে?

১. দক্ষিণ ভাৰতৰ কোনোবা এঠাইত এটা পাথৰৰ গুহাৰ ভিতৰত এক জৈন মন্দিৰ নিৰ্মিত হৈছিল। ক'ত?

২. 'উড়ন্ত সৰ্প' নামকৰণৰ কাৰণ কি?

৩. পৃথিৱীৰ আটাইতকৈ ওখ ঠাইত ফুলা ফুলৰ নাম?

৪. ৰেফ্ৰিজিৰেট্যাৰৰ আৱিষ্কৰ্তা কোন?

৫. আমাৰ দেশৰ ভূভাগৰ মাজেদি বৈ যোৱা এখন নৈক চাৰিটা নামেৰে অভিহিত কৰা হয়। কোন নৈ আৰু কি কি নাম?

৬. প্ৰথম পুস্তকালয় স্থাপনকাৰী গ্ৰিক ব্যক্তিজনৰ নাম?

৭. গুৰু নামকে ভক্তিগীতি গাওঁতে তেওঁৰ শিষ্য এগৰাকীয়ে 'ৰবাব' নামৰ বাদ্যযন্ত্ৰ বজাইছিল। তেওঁ কোন?

৮. মানুহে মিনিটেপ্ৰতি কিমানবাৰ শ্বাস গ্ৰহণ কৰে?

৯. বিন্ধ্য পৰ্বতৰ দক্ষিণভাগত থকা অতি ওখ টিঙৰ নাম?

১০. বিজয়ী পিছৰ শাৰীলৈ যোৱা আৰু পৰাজিতই আগশাৰীলৈ অহা খেলাৰ নাম?

উত্তৰ

১. তামিলনাডুৰ পুডুক্কোটা জিলাত থকা ছিত্তনাভাছলত, প্ৰায় ১,৪০০ বছৰৰ আগতে পল্লৱ ৰজা মহেন্দ্ৰবৰ্মা (প্ৰথম)ৰ আমোলত নিৰ্মিত হৈছিল।

২. নিজৰ দেহ ফিতাৰ দৰে প্ৰলম্বিত কৰি ইগছৰপৰা সিগছলৈ জঁপিয়াই যাব পৰাৰ বাবে।

৩. উত্তৰ প্ৰদেশৰ গাড়োৱাল পৰ্বতত প্ৰায় ৬,৪০০ মিটাৰ উচ্চতাত ফুলা আৰ্মেনিয়া হিমালয়েছিছ নামৰ ফুল।

৪. জাৰ্মানিৰম্যুনিখৰ কাৰ্ল লিন্ডে আৰু ফ্ৰিডৰিখ্ স্কিপাৰে ১৮৭০ চনত আৱিষ্কাৰ কৰিছিল।

৫. ব্ৰহ্মপুত্ৰ। হিমালয়স্থিত মানস সৰোবৰৰপৰা ওলাই বংগোপসাগৰলৈ বৈ যোৱা এই নৈক তিব্বতত 'ছাং পো', অৰুণাচলত 'ডিহাং' 'ছিয়াং' আৰু বাংলাদেশত 'মেঘনা' নামেৰে অভিহিত কৰা হয়।

৬. য়ুৰিপাইদেছ (খ্ৰীঃ পূঃ ৪৮৩—৪০৬)।

৭. 'মাৰ্দনা' নামৰ মুছলমান শিষ্যই।

৮. ১৫-ৰপৰা ১৮ বাৰ। ব্যায়াম কৰোঁতে বা দৌৰ-জাঁপৰ সময়ত কিঞ্চিত পাৰ্থক্য হয়।

৯. কেৰল ৰাজ্যৰ মালাবাৰ অঞ্চলত পশ্চিমঘাট পৰ্বতমালাৰ 'আনাইমুডি' বা 'গজশিখৰ'। উচ্চতা—২৭০০ মিটাৰ।

১০. জুডো।

ঈশ্বৰে দিয়া ঐশ্বৰ্য্য

কেশৱ হ'ল জয়ন্ত আৰু জানকী নামৰ দম্পতিৰ একমাত্ৰ সন্তান। কেশৱ বুদ্ধিমান, কিন্তু অত্যন্ত এলেহুৱা। এই কথাত— কেশৱ ভাল হোৱা সত্বেও— কিছুমানে বেয় পায় তাক।

এদিন সূৰ্য্যদেৱ নামৰ চিনাকি মানুহ এজন কেশৱহঁতৰ ঘৰলৈ আহিছিল। কথাই কথাই জানকীয়ে সূৰ্য্যদেৱৰ আগত কেশৱৰ সোৱোপালিৰ কথা ক'লে।

সূৰ্য্যদেৱে তেওঁৰ একমাত্ৰ ছোৱালী পাৰ্বতীজনীক কেশৱৰ সৈতে যোৰা পাতিব বুলি ভাবি থৈছিল। সেই কাৰণে— সূৰ্য্যদেৱে কেশৱক তেওঁৰ কাষত বহুৱাই লৈ নানান সজ-কথাৰে উপদেশ দিলে।

কেশৱে সূৰ্য্যদেৱক স্পষ্টকৈ ক'লে, "মোক জীৱনত ধনে খাব খোজাকৈহে ধন মানে লাগে। ধন আছে যাৰ—জগতখনেই তাৰ। ধনেদি শিতান দিব পাৰাকৈ ধন আৰ্জি—মই মোৰ বুঢ়া দেউতাক—"

সূৰ্য্যদেৱে হাত দাঙি কেশৱক ৰখাই ক'লে, "এতিয়াও তোমাৰ ধনৰ অভাৱ আছেনে কিবা? তোমাৰ দেউতাৰাৰ ধন-সম্পত্তি তোমাৰ, আকৌ—ময়ো আমাৰ পাৰ্বতীজনীক তোমাকেই দিম, আৰু পাছত মোৰ ধন-বিতখিনিও তুমিয়েই পাবা। আৰুনো তোমাক কি লাগিছো?"

কেশৱে সামান্য সময় কিবাকিবি চিন্তা কৰি চালে আৰু তাৰ পাছত সূৰ্য্যদেৱক ক'লে, "ক্ষমা কৰিব, মই পাৰ্বতীক বিয়া কৰাব নোৱাৰিম, কিয়নো —জীৱনদাস ডাঙৰীয়াৰ ছোৱালীজনীক— জয়িতাকহে মই বিয়া কৰাম।"

মনিমা মহন্ত

মোৰ ধন চাই জীৱনদাস ডাঙৰীয়াহেন ধনী মানুহজনো অবাক হ'ব আৰু নিজেই মোক জোঁৱাই হিচাপে ল'বলৈ ধৰফৰণি লগাই দিব। মই—আমাৰ গাঁৱলৈ প্ৰতি কাতি মাহত অহা শিৱানন্দ স্বামীৰ সৈতে সাক্ষাৎ কৰি ধনৱান-ভাগ্যৱান হোৱাৰ উপায় খুজি ল'ম।" এই বুলি কৈ কেশৱ তাৰপৰা গুচি গ'ল।

তাৰ পাছত—কাতি মাহৰ পূৰ্ণিমাৰ দিনা কেশৱে শিৱানন্দস্বামীৰ কাষ চাপি তাৰ মনৰ এই ইচ্ছাৰ কথা লুকঢাক নাকৰাকৈয়ে ক'লে।

শুনি শিৱানন্দস্বামীয়ে ক'লে, "ঠিক আছে। মই ইয়াত এক সপ্তাহ থাকিম। তুমি নিতৌ আহিবা। তাৰ পাছত দেখা যাব—কি উপায় হয়।"

যথা নিয়মে এক সপ্তাহ পাৰ হৈ গ'ল। শিৱানন্দ স্বামীয়ে কেশৱক ক'লে, "তুমি বাৰু এই মোনাটোৰ ভিতৰত তোমাৰ হাত ঘপ্ কৰে ভৰাই দিয়াচোন।"

কেশৱে মোনাটোৰ ভিতৰত হাত ভৰাই দিলে আৰু শিৱানন্দস্বামীৰ ইংগিত মতে আকৌ হাতখন মোনাৰপৰা উলিয়াই আনিলে। আগতে একেবাৰে খালী হৈ থকা মোনাটোৰপৰা কিছুমান সোণৰ মোহৰ পোৱা হ'ল সি।

জীৱনদাস আছিল এইখন গাঁৱৰে এগৰাকী বিৰাট ধনী মানুহ আৰু জয়িতা হ'ল দহোখন গাঁৱতে বিচাৰি নোপোৱা চালে চকু নৰে যোৱাজনী। গাঁৱৰ ৰাইজে জানে—জয়িতাৰ বাপেকে তাইৰ বিয়াখন যাৰে-তাৰে সৈতে নাপাতিব। কেশৱে জয়িতাকে দয়িতা কৰিব বুলি কোৱাত কেশৱৰ মাক-দেউতাক আৰু লগতে সূৰ্য্যদেৱো চঁক খাই উঠা যেন দেখি কেশৱে মৃদুকৈ হাঁহিৰে ক'লে, "জয়িতাক বিয়া কৰাবৰ প্ৰস্তাৱ মই জীৱনদাস ডাঙৰীয়াৰ ওচৰত উত্থাপন কৰাই নাই, নকৰোঁও। মই ইমানেই ধন আৰ্জিম যে—

এই ঘটনাত কেশৰক বিবুদ্ধি যেন হৈ পৰা দেখি শিৱানন্দস্বামীয়ে হাঁহি মাৰি ক'লে, "শুনা, কেশৰ—তুমি যাক বোলে —ভগতখনৰ আও ভাও একোকে নজনা-নুবুজাটো হৈ আছা। তোমাৰ বুদ্ধিবৃত্তি বোলা যিখিনি আছে, সেইখিনিও জ্ঞানাৰ্জনৰ উপযুক্ত নহয়। সেই কাৰণেহে —তোমাক এই মন্ত্ৰপূতঃ মোনাটো দিলোঁ। এই মনাটোৰ সহায়ত যিখিনি জ্ঞান অৰ্জিবা—তাৰে যদি তোমাৰ উপকাৰ হয় —সেই আশাৰেহে দিলো তোমাক মোনাটো। মই আশা কৰিম যে—তুমি এপষৰ ভিতৰতে মোনাটো মোক—নিজেই ওভোতাই দিবা। মই ইয়াৰপৰা বিছ ক্ৰোশ দূৰস্থিত শান্তিবনত থাকিমগৈ। তোমাৰ মন গ'লে তালৈ যাবা। গ'লে তোমাৰ ভালেই হ'ব।"



চাওঁতে চাওঁতে কথাটো বনাগ্নিৰ দৰে বিয়পি পৰিল যে—কেশৰে যাদু-মোনা এটি পালে আৰু যাদু-মোনাৰ যহতে বিৰাট ক্ষমতা আৰ্জিলে। কথাটো শুনিয়েই কেশৰৰ বন্ধু কমলাকান্তই কেশৰক ক'লেহি, "হাৰে কেশৰ! তোমাৰ নবৌৱেৰাইযে বহুত দিনৰপৰা হীৰাৰ হাৰ এধাৰ দুখুনীৰ দৰে খুজি আছে—জানাই নিশ্চয়। মই দুখীয়া মানুহ, তাইৰ ইচ্ছা পূৰাব পৰা নাই। তুমি দেখোন তোমাৰ নবৌৱেৰাৰ ইচ্ছা পূৰণ কৰিব পৰা। কি কোৱা—?"

এইদৰে আৰু কত যে চিনাকি-আধা চিনাকি আহি থাকিল—তাৰ বিৰাম নাই। নানান মানুহৰ নানান প্ৰয়োজন।

এইদৰে বহু মানুহ আহিল-গ'ল, কিন্তু কেশৰে ভবা মতে—জীৱনদাস নাহিল। জীৱনদাসে তাৰ এনে আচৰিত ক্ষমতাৰ কথা জানিও যে ছোৱালী দিবলৈ কিয় নহা হ'ল—কেশৰে ঠাৱৰ কৰিব নোৱাৰি বিভ্ৰান্ত হৈ পৰিল। শেহলৈ—একপ্ৰকাৰে বাধ্যত পৰিয়েই কেশৰে তাৰ বন্ধু

কমলনাথক তাৰ মনৰ কথা ক'লে আৰু জীৱনদাসৰ জীয়েক জয়িতাজনীৰ খা-খবৰ ল'বলৈ অনুৰোধ কৰিলে।

কমলাকান্তই জীৱনদাসৰ ঘৰৰপৰা উভতি আহি যি ক'লে, তাৰেহে কেশৰৰ জ্ঞানোদয় হ'ল।

কমলাকান্তৰ কথা শুনি জীৱনদাসে কমলাকান্তক কৈছিল, "মই কেনোবা ধনৰ ধনীৰ সৈতে জয়িতাজনীৰ বিয়াৰ কথা ভবা নাই। জয়িতাৰ কাৰণে ধনৰ ধনী পাত্ৰ নহ'লেও হ'ল, মনৰ ধনীহে হ'ব লাগিব। ধন আমাৰ ওচৰত ঢেৰ আছে। তোমাৰ বন্ধু কেশৱ এতিয়া এক অপৰিমিত ধনৰ গৰাকী হৈছে যে—জানো আমি। কিন্তু সেই ধন সি তাৰ বুদ্ধিবৃত্তিৰে অৰ্জা নাই, অলৌকিক উপায়েৰেহে আৰ্জিছে। আজি কিবা কাৰণত তাৰ অলৌকিকত্ব নষ্ট হ'লে কালিলৈ সি আকৌ ত্ৰাহি মধুসূদন দেখিব লাগিব। গতিকে বাস্তৱ পৃথিৱীৰ মানুহ এজনৰ সৈতে ছোৱালীৰ বিয়া পাতি অলৌকিকত্বৰ ওপৰত নিৰ্ভৰ কৰিব নোৱাৰি যে—সেই কথা বন্ধুক ক'বাগৈ।"

এইখিনি কথা শুনাৰ অন্তত কেশৱৰ মনত চিন্তাৰ ঢৌ উঠিল। সেই নিশা সি সপোনত দেখিলে যে—তাৰ আত্মীয়-বন্ধুহঁতে তাক মৰা-পিটা কৰি সেই যাদু-মোনাটো তাৰপৰা কাঢ়ি লৈছে।

পুৱা সাৰ পাই উঠি সি মাকক ক'লে যে সি এতিয়াই শান্তিবনলৈ বলি ওলাব।

শান্তিবনলৈ কিয় বুলি সোধাত কেশৱে তাৰ মাকক ক'লে, "মা, কেৱল ধনৈশ্বৰ্য্যয়েই নহয়, মানুহক ঈশ্বৰে সুখ-শান্তিৰ অপাৰ ঐশ্বৰ্য্যও তাৰ 'মগজু'ত দি থৈছে। মোক এই যাদু-মোনা নালাগে। এই যাদু মোনা শিৱানন্দস্বামীক মই ফিৰাই দিম, আৰু ঈশ্বৰে মোকো প্ৰদান কৰা আচল 'ঐশ্বৰ্য্যৰ মোনা'—মগজুৰ ব্যৱহাৰ কৰি শান্তিৰে থাকিম।"



ক্ষ-ৰহস্য

কোনোবা একালত বজ্ৰদত্ত নামৰ ৰজা এগৰাকীয়ে তেওঁৰ মহামন্ত্ৰী সুবুদ্ধিক লগত লৈ প্ৰজাবৰ্গৰ দুখ-কষ্টৰ কথা স্বচক্ষে চাবলৈ ছদ্মবেশ ধৰি পৰিভ্ৰমণ কৰিছিল।

এদিন এইদৰে পৰিভ্ৰমণ কৰি থাকোঁতে এটা টোকোৰা-পঁজাৰ ভিতৰত উচুপনিৰ শব্দ শুনি পঁজাটোৰ আগত ৰৈ দিলে।

“কি যে কৰিম—ভাবিয়েই উলিয়াব পৰা নাই। এতিয়া তোমাৰ মাৰাক কেৱল ঈশ্বৰেহে ৰক্ষা কৰিব পাৰিব।” ঘৰৰ ভিতৰৰপৰা পুৰুষকণ্ঠৰ মাত শুনা গ’ল।

তাৰ পাছত আকৌ উচুপনি আৰু কেঁকনিৰ শব্দ উঠাত ৰজা আৰু মন্ত্ৰীয়ে দুৱাৰ ঠেলি ঘৰৰ ভিতৰলৈ সোমাল।

ছদ্মবেশী ৰজাই মানুহজনক সুধিলে, “তোমাৰ কি কষ্ট—আমাক ক’বনে?”

“মহাশয়, মই এজন দুখীয়াৰো দুখীয়া মানুহ। মোৰ পৰিবাৰ বেমাৰত পৰি আছে, কিন্তু মই তেওঁৰ চিকিৎসা ঠিকমতে কৰিব পৰা নাই। তেওঁৰ চিকিৎসাৰ বাবে বিছটা মুদ্ৰাৰ আৱশ্যক। কোনোবাই মোক বিছটা মুদ্ৰা ধাৰলৈ দিয়ে যদি—মই এমাহতে পৰিশোধ কৰিম পাৰিম। কিন্তু মোক ধাৰলৈ মুদ্ৰা দিওঁতা কোনো নাই। বহু ধৰণে চেষ্টা কৰিও মই ব্যৰ্থ হৈছোঁ। বেচিব পৰা বা বন্ধকত থ’ব পৰা বস্তু-সামগ্ৰীও আমাৰ নাই।” মানুহজনে ক’লে।

“এইখিনি মুদ্ৰা মই তোমাক দিব পাৰোঁ। কিন্তু—তুমি পৰিশোধ কৰিবা কেনেকৈ?” মহাৰাজে সুধিলে।

“কাম-কাজ কৰি আৰ্জিম আৰু অলপ

‘পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী’

অলপকৈ সাঁচিম। এমাহত এইখিনি সাঁচিব পাৰিম বুলিয়েই মোৰ দৃঢ় ধাৰণা।"

"বাৰু, তেন্তে লোৱা এই মুদ্ৰাখিনি।" ৰজাৰ ইংগিত পাই মহামন্ত্ৰীয়ে মানুহজনক মুদ্ৰা বিহটা দিলে। মানুহজনে বিস্মিত দৃষ্টিৰে তেওঁলোকক সুধিলে, "আপোনালোক কোন—মই নাজানো। আপোনালোক ক'ত থাকে — তাকো নাজানো। এই টকাখিনি পৰিশোধ কৰিম যে ক'ত — কোন ঠাইলৈ যাব লাগিব, সুত কিমান দিব লাগিব—"

ৰজাই হাত দাঙি মানুহজনক ৰখাই ক'লে, "এইবোৰ কথা—আমি কোন বা ক'ত থাকোঁ—তোমাৰ জনাৰ প্ৰয়োজন নাই। কিন্তু ঠিক এমাহৰ পাছৰ দিনাই তুমি মুদ্ৰাখিনি আমাক ওভতাই দিবা। আজি হ'ল শুক্লা-চতুৰ্থী, এমাহৰ পাছৰ শুক্লা চতুৰ্থীৰ গধূলিপৰতে গাঁৱৰ গণেশ মন্দিৰত আমাক পাবা।" এই বুলি কৈয়েই তেওঁলোক তাৰপৰা গ'লগৈ।

দুখীয়া মানুহজনে ভাবিলে : মানুহৰ বেশত নিশ্চয় ঈশ্বৰেই আহিছিল।

যি হওক—ৰজাই দিয়া মুদ্ৰাখিনিৰে মানুহজনে তাৰ ঘৈণীয়েকৰ চিকিৎসা কৰালে, আৰু ঘৈণীয়েক সুস্থও হৈ উঠিল।

কিন্তু তাৰ পাছত—এমাহ পূৰ হোৱাৰ ভিতৰত মানুহজনে আটাইখিনি মুদ্ৰা গোটাব নোৱাৰি শুক্লাচতুৰ্থীৰ গধূলি পৰতে যেতিয়া মানুহজন নহা হ'ল তেতিয়া মহাৰাজ-মহামন্ত্ৰীয়ে মানুহজনৰ ঘৰলৈ গ'ল। মহামন্ত্ৰীয়ে মাতলগালে, "ঘৰত কোন আছা? দুৱাৰ খোলা।"

দুৱাৰ খুলি মানুহজনৰ ছোৱালীজনী ওলাই আহিল, আৰু মহাৰাজ-মহামন্ত্ৰীক তাই ক'লে, "অদৃশ্য সকলো ঠিক আছে। সকলো চাৰিওফালে প্ৰকাশিত। ক'তো-কেনিও এন্ধাৰ নাই।"

মহাৰাজে ছোৱালীজনীৰ কথাবোৰ একোৰেই বুজি নাপাই ভেবা লাগিল।

কিন্তু মহামন্ত্ৰীৰ দৃষ্টিত এনেবোৰ কথা বুজি পোৱাৰ ভাব ফুটি উঠিল।

"তোমাৰ দেউতাৰা ক'ত ?" মহামন্ত্ৰীয়ে ছোৱালীজনীক সুধিলে।

"ওপৰলৈ উঠি সূৰ্য্য ভগৱানৰ চকু ঢাকিবলৈ ওলাল।" ছোৱালীজনীয়ে ক'লে।

"তোমাৰ মাৰা ?" মহামন্ত্ৰীয়ে পুনৰ তাইক সুধিলে।

"কুমুৰপৰা পইচা বুটলিবলৈ গৈছে।" তাই ক'লে।

"তুমি এতিয়া কি কৰি আছা ?" মহামন্ত্ৰীয়ে প্ৰশ্ন কৰিলে।

"সোণ-ৰূপ উলিয়াই আখাত থ'লোঁ।" তাই মহামন্ত্ৰীক ক'লে।

"আমি যে আহিম — তোমাৰ দেউতাৰাৰ মনত আছিলনে ?" মহামন্ত্ৰীয়ে সুধিলে ছোৱালীজনীক।

"আছিল। দহ আৰু দহৰ মুখত দুই কম হ'লে দহৰ মুখ খুলিবলৈ লাজ—এই কথা ক'বলৈ মোক ক'লে যে — আপোনালোকে দহ বাৰ চকু মুদিব আৰু খুলিব লাগিব।" ছোৱালীজনীয়ে পুনৰ তেনেকৈ ক'লে।

তেতিয়া মন্ত্ৰীমহোদয়ে ছোৱালীজনীক সুধিলে, "আমি কোন—তুমি জানানে ?"

"ওঁ, মহাশয়। আপোনালোক হ'ল

তিনি ক্ষ-কাৰ।" ছোৱালীজনীয়ে বাৰে বাৰে মূৰ দোঁৱাই ক'লে।

"ঠিক আছে — তুমি নিজৰ কাম কৰাগৈ।" এই বুলি কৈ মহামন্ত্ৰীয়ে মহাৰাজক ক'লে "মহাৰাজ ? আমিও যাওঁৰৈইগৈ ব'লক।"

উভতি খোজ লৈ মহাৰজে মহামন্ত্ৰীক সুধিলে, "তাইৰ কথাখিনি আপুনি বুজি পোৱা যেন পালোঁ দেখোন !"

"হয়, মহাৰাজ। তাইৰ কথা আটাই-খিনিয়েই মই বুজি পাইছিলোঁ। দুখীয়া ঘৰৰ হ'লে কি হ'ব—ছোৱালীজনী অতি বুদ্ধিমতী।" মন্ত্ৰীমহোদয়ে ক'লে।

"তাই কি কথা কৈছিল ?"

"আমাক দেখামাত্রেই তাই কৈছিল যে—'অদৃশ্য' ঠিক আছে। অদৃশ্য মানে হ'ল—জীৱন। অৰ্থাৎ তাইৰ মাক ভালে আছে। তাইৰ দেউতাৰাৰ কথা সোধাত তাই 'সূৰ্য্য-ভগৱানৰ চকু ঢাকিবলৈ' যোৱা বুলি কৈছিল যে—তাৰ অৰ্থ হ'ল—ৰ'দৰ তাপৰপৰা ৰক্ষা পাবলৈ ঢাকনী দিবলৈ, অৰ্থাৎ কাৰোবাৰ ঘৰৰ চাল ছাবলৈ গ'ল তাইৰ দেউতাৰ। তাইৰ মাৰাৰ কথা সোধাত 'কুম্ভৰপৰা পইচা বুটলিবলৈ গৈছে' বুলি কৈছিল যে তাই—সেই 'কুম্ভ' হ'ল—তালৰ বা খাজুৰৰ ৰসৰপৰা বনোৱা 'তাড়ি' নামৰ লাওপানী কলহত ভৰাই বেচিবলৈ গৈছে। তাই কি কৰিছে বুলি সোধাত 'সোণ-ৰূপ উলিয়াই আখাত থ'লোঁ' বুলি কোৱাৰ অৰ্থ হ'ল—সোণ মানে ধান ৰূপ মানে চাউল—আখাত মানে জুইত ধান সিজাই চাউল বনাই আছিল তাই। আমি যে আহিম তাইৰ দেউতাৰাই জানিছিলনে নাই বুলি সোধাত তাই যে 'দহৰ মুখত দুই কম' হোৱাৰ কথা কৈছিল—তাৰে তাই বিছাটা মুদ্ৰাতকৈ দুটা কম যোগাৰ হোৱাৰ কথাকে বুজাইছিল। আৰু আমাক লৈ দহবাৰ চকু মুদিবলৈ কৈছিল—সেই কথাৰে দহ দিনৰ পাছত আহিবলৈ কৈছিল তাই।"

মন্ত্ৰীমহোদয় ৰ'ল আৰু তেতিয়া পৰম বিস্মিত মহাৰাজে সুধিলে, "কিন্তু—সেই তিনি ক্ষ-কাৰৰ অৰ্থ কি ?"

মহামন্ত্ৰীয়ে ক'লে, "আমি হ'লোঁ ৰক্ষক, শিক্ষক আৰু ভক্ষক। তিন ক্ষ-কাৰ আমিয়েই নহয় জানো ? সেইহে—আমাক চিনি পায়েই তাই আভূমি নমস্কাৰ কৰিছিল আমালৈ।"

পাছত মহাৰাজে এই ছোৱালীজনীক তাইৰ এনে বুদ্ধিমত্তাৰ শলাগ লৈ এহেজাৰ স্বৰ্ণমুদ্ৰাৰে তাইক পুৰস্কৃত কৰিছিল।



বীৰ হনুমান

৩১

হনুমানে অতি সূক্ষ্ম ৰূপ ধাৰণ কৰি পাতাল-লংকাৰ সিংহদ্বাৰ অতিক্ৰমি নগৰলৈ প্ৰবেশ কৰিলে। নগৰলৈ প্ৰবেশ কৰাৰ লগে লগে নগৰৰ এঠাইত প্ৰচণ্ড কোলাহল হনুমানৰ কাণত পৰিল আৰু হনুমান সেই পোন গৈ থাকিল।

এঠাইত এটা সৰু পাহাৰত তথা টিলাত অপূৰ্ব কাৰিকৰী দক্ষতাৰে— টিলাটোকে কালী গোসাঁনীৰ মন্দিৰ ৰূপে সাজি উলিউৱা হৈছিল। মন্দিৰৰ চোতালত অসংখ্য কলহত ভৰাই থৈছিল উগ্ৰ মদিৰা। এই মদিৰা তথা মদৰ লোভতেই ৰাক্ষসবিলাকৰ মাজত ইমান হৈ-হুলস্থুল!

তদুপৰি, মন্দিৰ-প্ৰাংগণত বাজি আছিল অসংখ্যাত ঢোল-ডমৰু ভোৰতাল-কৰতাল আদি গভীৰ নিনাদী বাদ্যযন্ত্ৰ। ৰাক্ষসবিলাকে আনন্দৰ চোটত মদ নোখোৱাকৈয়েই মদাহীৰ দৰে উলহৰ মাদলী হৈ নাচন-গাৱন চিঞৰ-বাখৰ হৈ হাল্লা কৰি আছিল।

এইবোৰ কথা-কাণ্ড চাই হনুমানে বুজিলে যে এই কালী গোসাঁনীৰ আগত থকা বলিশালত ৰাম-লক্ষ্মণক বলি দিবলৈহে আনন্দ-উৎসৱৰ ইমান আয়োজন কৰা হৈছে। হনুমানে জেঠী এটাৰ ৰূপ লৈ মন্দিৰৰ ভিতৰকক্ষলৈ গ'ল।

তাত কালীমাতাৰ পাদাভিষেকৰ বাবে বিভিন্ন ধৰণৰ কলসত বিভিন্ন

প্ৰকাৰৰ পানী থৈ দিয়া হৈছিল। কালীমাতাৰ মূৰ্তিৰ ওপৰত এটা-বিশেষ ছিদ্ৰ আছিল। আৰু হনুমানে সেই ছিদ্ৰেৰে পোনে পোনেই কালী মন্দিৰৰ 'গৰ্ভ-গৃহ'লৈ জঁাপ মাৰি পৰিলগৈ।

কালীমাতাৰ মূৰ্তি আছিল অতি ওখ আৰু দেখাতো অত্যন্ত উগ্ৰ। হনুমানে কালীমাতৃৰ মূৰ্তিৰ আগত দণ্ডায়মান হৈ কালীমাতৃক সুধিলে, "হে মহাকালী! তুমি প্ৰকৃততেই ৰাম-লক্ষ্মণক বলি ৰূপে পাবলৈ বাঞ্ছা কৰিছানে ?"

কালীমাতাই তৎক্ষণাৎ কোমল ৰূপত আবিৰ্ভূতা হৈ হনুমানক দৰ্শন দান কৰি ক'লে, "হনুমান! মহীৰাৱণৰ আয়ুস শেষ হৈ আহিছে। তোমাৰ জয় "হওক "। এই বুলি আশীৰ্বাদ কৰাৰ অন্তত কালীমাতৃ অন্তৰ্হিতা হ'ল।

এই কথা শুনিয়েই হনুমানৰ নখৰ-নপৰ লাগি গ'ল। কালী-মন্দিৰৰ মধ্যস্থ 'গৰ্ভগৃহ' ভিতৰফালৰপৰা বন্ধ কৰি হনুমান কালী-মূৰ্তিৰ পিছফাললৈ গ'ল আৰু আগলৈ কি হয় তাৰ বাট চাই থাকিল।

তেতিয়া মহীৰাৱণৰ অন্তেষপুৰতো যথেষ্ট হৈ-চৈ হৈ আছিল। ৰাম-লক্ষ্মণক বলি দিয়াৰ অন্তত চন্দ্ৰসেনাক মহীৰাৱণে বিধিমতে বিয়া কৰাব যে—তাৰ প্ৰস্তুতি পুৰাদমে চলি আছিল তাত। অন্তেষপুৰৰ নিৰাপত্তাৰ তথা সুৰক্ষাব দায়িত্ব আছিল কণ্টকীৰ ওপৰত। কণ্টকী ৰাক্ষসীয়ে অতি উৎসাহৰে চন্দ্ৰসেনাক সজোৱাৰ দায়িত্বও পালন কৰি আছিল।

এসময়ত ৰাম-লক্ষ্মণক এখন গাড়ীৰ ওপৰত উঠোৱা হ'ল, আৰু দণ্ডায়মান অৱস্থাত গাড়ীৰ খুঁটাৰে সৈতে বান্ধি দিয়া হ'ল। ৰাম-লক্ষ্মণৰ ডিঙিত ওলোমাই দিয়া হ'ল জৰাফুলৰ মালা। গাড়ীখন কঢ়িয়াই-ছিল দুটা সৰ্পাকাৰ ভূতে। এইদৰে ৰাম-লক্ষ্মণক শোভাযাত্ৰা কৰি কালী-গোসাঁনীৰ থানলৈ লৈ যোৱা হৈছিল বলিৰে বধিবলৈ।

ৰাক্ষসবিলাকৰ উন্মাদ-উল্লাসৰ চিঞৰ-বাখৰ শুনি চন্দ্ৰসেনাই কথা যে কি—উমান পাইছিল তাৰ। এছেগত—কণ্টকী ৰাক্ষসীয়ে বাধা দিব নোৱৰাকৈ—চন্দ্ৰসেনা অন্তেষপুৰ এৰি ওলাই আহিল আৰু পীতবস্ত্ৰ পৰিহিতা উজ্জ্বল সেন্দুৰেৰে ৰঞ্জিত ললাট চন্দ্ৰসেনাই ৰামচন্দ্ৰ আৰু লক্ষ্মণক গাড়ীৰ খুঁটাৰে সৈতে কট-কটীয়াকৈ বন্ধা অৱস্থাৰে বধ্যস্থানলৈ লৈ যোৱা দেখি মুহূৰ্ততে মূৰ্ছিতা হৈ তাতেই বাগৰি পৰিল।

চন্দ্ৰসেনাৰ পিছে পিছে দৌৰি অহা কণ্টকী ৰাক্ষসীও ঠিক তেতিয়াই মূৰ্ছিতা-চন্দ্ৰসেনাৰ ওচৰত ৰ'লহি আৰু সৌকাৰে চাৰৌপ চাৰৌপকৈ কোবাই চন্দ্ৰসেনাক তাই দাঙি লৈ পুনৰ অন্তেষপুৰ পালেহি। কণ্টকী ৰাক্ষসীয়ে চন্দ্ৰসেনাক এটা অতি সৰুতকৈও সৰু কক্ষত বন্দী কৰি থ'লে।

ইপিনে—ৰাক্ষসবিলাকে মদিৰাৰে—অৰ্থাৎ মদ্যেৰে কালী-গোসাঁনীক স্নান কৰাবলৈ ধৰিলে। সামান্যমান সময়ৰ অন্তত স্বয়ং কালীমাতৃয়ে আদেশ দিলে: "বৎসইত! মদ্যেৰে নহয়, দুগ্ধেৰে মোক স্নান কৰালেহে মই অত্য তুষ্ট হ'ম!"

এই আদেশ—কালীমাতাৰ পিছফালে লুকায়িত হৈ থকা হনুমানেহে দিছিল।

কালীমাতাৰ কণ্ঠৰূপী হনুমান-কণ্ঠ-নিঃসৃত আদেশ শুনি মন্দিৰ-প্ৰাংগণত তথা মন্দিৰৰ বাহিৰতো নিৰৱচ্ছিন্ন ভাৱে চলি থকা কোলাহল অকস্মাৎ স্তব্ধ হৈ পৰিল। কালী-গোসাঁনীয়ে মদ্য স্নান কৰাত বাধা দি দুগ্ধস্নানৰ ইচ্ছা প্ৰকাশ কৰাত সকলো ৰাক্ষসেই হতচকিত হৈ পৰিল। কিয়নো—গোসাঁনীক স্নান কৰোৱা মদ সোমসূত্ৰ হৈ তীৰ্থকুণ্ডলৈ আহি জমা হয় আৰু জমা হোৱা সেই বিপুল পৰিমাণৰ মদ ৰাক্ষসবিলাকে কালীমাতাৰ প্ৰসাদ ৰূপে পান কৰি মতলীয়া হয়। এয়ে পুৰুষে-পীৰিয়ে চলি অহা ৰীতি।



গাড়ীৰ ওপৰত দণ্ডায়মান ৰামচন্দ্ৰই লক্ষ্মণলৈ চাই অতি মৃহকৈ হাঁহিলে।

কণ্টকীয়ে অতি চিন্তাযুক্ত দৃষ্টিৰে মহীৰাৱণলৈ ঘূৰি চালে।

অহিৰাৱণে তেওঁৰ ভায়েক মহীৰাৱণক ক'লে, "মহী, এই কথাত বিস্মিত হ'বলগীয়া একো নাই। ৰাম আৰু লক্ষ্মণ যিহেতু সাত্বিক, সিহেতুকে কালীমাতাই মদ্যৰ সলনি সাত্বিক বস্তু হিচাপে দুগ্ধলৈ বাঞ্ছা কৰিছে।"

ককায়েকৰ কথা শিৰোধাৰ্য্য কৰি মহীৰাৱণে তৎক্ষণাৎ কালীমাতৃক দুগ্ধ স্নান কৰাবলৈ আদেশ প্ৰদান কৰিলে। আৰু ৰাক্ষসবিলাকেও তৎমুহূৰ্ততেই ডাঙৰ ডাঙৰ পাত্ৰত থকা গাখীৰেৰে কালীমাতৃক স্নান কৰাবলৈ ধৰিলে আৰু কালী-গোসাঁনীৰ মূৰ্তিৰ পিছ ফালে লুকাই থকা কুমটিয়ে খনা দিয়া হনুমানে সেই গাখীৰৰ সোঁত পি-খাবলৈ ধৰিলে। এইদৰে দুগ্ধ পান কৰি হনুমানৰ কিঞ্চিত শক্তিবৃদ্ধি হ'ল।

মাতৃ-স্নান সমাপ্ত হ'ল। মহীৰাৱণে কৰ যুৰি কালী মাতৃৰ সমুখত দণ্ডায়মান হৈ ক'লে, "হে মাতৃ! এতিয়া আমাক দৰ্শন দান কৰি ধন্য কৰা, মা!"

তৎমুহূৰ্ততে কালীমাতৃয়ে কৈ উঠিল, "মহীৰাৱণ! পোন প্ৰথমে তোমাৰ ককাইদেউৰাক—অহিৰাৱণক এতিয়াই মোৰ সমীপলৈ অনাৰ বাবে প্ৰেৰণ কৰা।"

অনতিবিলম্বে অহিৰাৱণে পত্ৰ-পুষ্প, ফল-মূল, স্বৰ্ণপাত্ৰত মধু ইত্যাদি লৈ মন্দিৰৰ গৰ্ভগৃহলৈ সোমাই আহিল। আৰু লগে লগেই গৰ্ভগৃহৰ দ্বাৰ আপোনা-আপুনি বন্ধ হৈ পৰিল, যদিও প্ৰকৃততে তাত লুকাই থকা হনুমানেহে গৰ্ভগৃহৰ দুৱাৰ বন্ধ কৰি দিছিল।

অহিৰাৱণে যেতিয়া কালীমূৰ্তিৰ সমুখলৈ গৈ স্বহস্তে নৈবেদ্য উছৰ্গা কৰিবলৈ ধৰিলে, তেতিয়া মূৰ্তিৰ পিছফালত থকা হনুমানে অহিৰাৱণৰ

ডিঙিত টিপা মাৰি ধৰি নিৰ্ৰে-নিমাতে অহিৰাৱণক বধ কৰিলে।

তাৰ পাছত বীৰ হনুমানে এবাৰ চাৰিওফালে তন্ন তন্নকৈ চাই ল'লে আৰু অহিৰাৱণৰ মৃতদেহ গৰ্ভগৃহৰ এক এন্ধাৰ চুকত পেলাই থৈ দিলে।

অতঃপৰ বীৰ হনুমানে পুনৰ কালী মাতৃয়ে কোৱাদি ক'লে, "এইবাৰ ৰাম-লক্ষ্মণক মোৰ সমীপলৈ আহিবলৈ দিয়া, মহীৰাৱণ! মোৰ প্ৰিয় ভক্ত অহিৰাৱণৰদ্বাৰা পূজা কৰাই ৰাম-লক্ষ্মণক শুদ্ধ কৰি ল'ম।" কালীমাতাৰ বাণী শেষ হোৱাৰ অন্তত গৰ্ভগৃহৰ দ্বাৰ পুনৰ আপোনা-আপুনি খোল খাই গ'ল।

মহীৰাৱণে কালীমাতাৰ স্বকণ্ঠ নিঃসৃত আদেশ পালনাৰ্থে ৰাম-লক্ষ্মণক ঠেলা মাৰি মন্দিৰৰ গৰ্ভগৃহৰ ভিতৰলৈ সুমুৱাই দিলে।

তেতিয়া হনুমানে সেই কালীমূৰ্তিৰ পিছফালৰপৰা ক'লে, "অনুগ্ৰহ কৰি গৰ্ভগৃহৰ দ্বাৰ উত্তমৰূপে বন্ধ কৰক আৰু প্ৰস্তুত হওক।"

লক্ষ্মণে গৰ্ভগৃহৰ দুৱাৰ বন্ধ কৰি দিয়াৰ লগে লগে পুনৰ কালী-মাতাই কৈ উঠিল, "এইবাৰ আপোনালোকে মূৰ্তিৰ পিছফাললৈ আহক।"

শ্ৰীৰামচন্দ্ৰ আৰু লক্ষ্মণ কালীমূৰ্তিৰ

পিছফাললৈ গ'ল আৰু তাত হনুমানক দেখা পাই লক্ষ্মণ বিস্মিত হোৱাত ৰামচন্দ্ৰই লক্ষ্মণক ক'লে, "কালীমাতৃয়ে মন্দিৰাভ্যন্তৰ পৰিহাৰ কৰি যেতিয়া দুগ্ধ স্নানলৈ ইচ্ছা প্ৰকাশ কৰিছিল, তেতিয়াই এই ঘটনাৰ আঁৰত আমাৰ হনুমান থকাৰ কথা উমানতে মোৰ অধিগত হৈছিল।"

হনুমানে ৰাম-লক্ষ্মণক ধনুৰ্বাণ দিলে। এই ধনুৰ্বাণ পাই ৰাম-লক্ষ্মণ চমৎকৃত হ'ল। তাৰ পাছত হনুমানে তেওঁৰ দেহ বৃহদাকাৰ কৰি ৰাম-লক্ষ্মণক তেওঁৰ স্কন্ধোপৰি দাঙি ল'লে আৰু অতঃপৰ কালীমূৰ্তিৰ কাষত থকা প্ৰচুৰ পৰিমাণৰ

গৰ্ভগৃহৰ বিপৰ্য্যস্ত অৱস্থালৈ চাই তাত শত্ৰু সোমাই থকাৰ কথা উমানতে বুজি পালে। লগে লগে কণ্ঠকী ৰাক্ষসীয়ে গগনবিদাৰী আটাহ পাৰিলে।

তাত থিয় হৈ থকা ৰাক্ষস এটাই কণ্টকীক চিঞৰি সুধিলে, "কি হ'ল—? কালীমাতাক এতিয়াই বলি লাগেনে?"

কণ্টকী ৰাক্ষসীয়ে একেদৰেই চিঞৰি চিঞৰি কৈ থাকিল, "আমাৰ সকলো কথাৰ ৰহস্য সেই চন্দ্ৰসেনাইহে জানে। নিশ্চয় তায়েই কোনোবা শতুৰুক আমাৰ ৰহস্যৰ সা-সন্ধান দিলে।" এই বুলি কৈয়েই কণ্টকী ৰাক্ষসী দৌৰি দৌৰি চন্দ্ৰসেনাৰ কক্ষলৈ গ'ল।

কণ্টকীৰ কথা শুনি ৰাক্ষসবিলাকৰ মাজত উথলি-মুথলি লাগিল। সিহঁতে ভীত-সন্ত্ৰস্ত হৈ ভাবি থাকিল: এইখন সুৰক্ষিত পাতাল-লংকাতো কোনো শত্ৰু সোমাব পাৰেনে!

কিছুমান ধৈৰ্য্য—স্থৈৰ্য্যশীল ৰাক্ষস মন্দিৰৰ গৰ্ভগৃহৰ পিনে আগুৱাই গ'ল। সিহঁতে গৰ্ভগৃহৰ দুৱাৰত ধৰি ধকিয়াবলৈ লওঁতেই বিশালদেহী হনুমানে বিকট সিংহনাদ কৰি গৰ্ভগৃহৰ দুৱাৰ খুলি ৰাম-লক্ষ্মণক স্কন্ধোপৰি লৈ বুকু ফিন্দাই ৰাক্ষস-বিলাকৰ আগত থিয় দিলে।

বিভিন্ন ধৰণৰ বাণ হাতত ল'লে।

গৰ্ভগৃহৰ বাহিৰত তেতিয়া ৰাক্ষস বিলাকৰ প্ৰচণ্ড হৈ-হুলস্থুল চলি আছিল। ইহঁতে ৰাম-লক্ষ্মণৰ বলি চাবলৈ উদ্বাউল হৈ উঠিছিল। অহিৰাৱণে কিয় যে এতিক্ষণেও ৰাম লক্ষ্মণ বোলা নৰ দুটাক গৰ্ভগৃহৰপৰা লৈ অহা নাই—সেই কথাত সিহঁতা বৰ উত্ৰাৱল হৈছিল।

ঠিক তেতিয়াই কণ্টকী ৰাক্ষসীৰ মনত সন্দেহই মূৰ দাঙিলে যে—নিশ্চয় গৰ্ভগৃহৰ ক'ৰবাত কিবা বিপদজনক ঘটনা ঘটিছে। কণ্টকী ৰাক্ষসীয়ে অতি সতৰ্কতাৰে গৰ্ভগৃহৰ দুৱাৰৰ ফাঁকেদি জুমি চালে আৰু



আৰু — স্বয়ং কালীমাতাৰ গৰ্ভগৃহত হনুমানক দেখা পাই ৰাক্ষসবিলাকে 'শতুৰু! শতুৰু!' বুলি চিৎকাৰ কৰি কৰি পলাবলৈ ধৰিলে। ইতিমধ্যে লক্ষ্মণে ৰাক্ষসবিলাকক চোকা চোকা বাণেৰে বধি থাকিল। ৰাক্ষসবিলাকে সাত চেউৰীৰ লৰ দিলে। কিছুমানে উবাজুবাত কৰ্ফাল খাই ইটোৱে সিটোৰ গাত ভৰিৰ তলত পৰি চেপা খায়ো প্ৰাণ হেৰুৱালে।

কিন্তু তাত যেতিয়া স্বয়ং মহীৰাৱণ উপস্থিত হ'লহি—তেতিয়া কথা বেলেগ হৈ উঠিল। ধনু-ৰ্বাণ হাতত লৈ মহীৰাৱণ মুহূৰ্ততে হনুমানৰ তথা ৰাম-লক্ষ্মণৰ সৈতে যুদ্ধলৈ সাজু হ'ল।

তেতিয়া ৰাম-লক্ষ্মণেও দুগুণ উৎসাহেৰে মহীৰাৱণলৈ বাণ নিক্ষেপ কৰি থাকিল। কিন্তু মহীৰাৱণ বাণবিদ্ধ হৈ অলপো বিচলিত নহ'ল। কিয়নো—মহীৰাৱণৰ এটুপি তেজ য'তে পৰিছিল চকুৰ পচাৰতে তাৰেপৰাই অন্য এটা বিকট-বিভচ মহীৰাৱণৰ সৃষ্টি হৈছিল।

এই অভাৱিত ঘটনালৈ লক্ষ্য কৰি শ্ৰীৰামচন্দ্ৰই হনুমানক ক'লে, "হনুমান! এনে অসম্ভৱ ঘটনা কেনেকৈনো সম্ভৱ হৈছে? দেহৰপৰা ভূমিলৈ তেজ নেপেলোৱাকৈ কেনেকৈনো আমি এই মহীৰাৱণক বধ কৰিম?"

তেতিয়া হনুমানে সুবৰ্চ্চলাদেৱীয়ে কোৱা ৰহস্যৰ কথা, আৰু চন্দ্ৰসেনাৰ কথাখিনিও ভালকৈ সুঁৱৰিলে। হনুমানে শ্ৰীৰামচন্দ্ৰক অতি সংক্ষিপ্তভাৱে সেই ৰহস্য বৃত্তান্ত কোৱাৰ অন্তত তেওঁলোকক দুই কান্ধত লৈ অকস্মাৎ আকাশলৈ বুলি উৰা মাৰিলে।

উৰি উৰি বহু দূৰলৈ গৈ—এক অতি নিৰাপদ ঠাইত ৰাম-লক্ষ্মণক নমাই থৈ হনুমানে চন্দ্ৰসেনাৰ ওচৰলৈ যাবলৈ পুনৰ মাৰিলে উৰা।

বিবাদৰ বিপদ

ৰজা ৰাজবৰ্মাৰ মনত 'সম্ৰাট' হোৱাৰ বাসনা হ'ল। তেওঁ তেওঁৰ সুযোগ্য মহামন্ত্ৰী ধৰ্মচিন্তনক মতাই অনাই তেতিয়াই চুবুৰীয়া ৰাজ্য আক্ৰমণৰ প্ৰস্তুতি ল'বলৈ টানি ক'লে।

কিন্তু মহামন্ত্ৰী ধৰ্মচিন্তনে ক'লে, "মহাৰাজ! যুদ্ধই ধন-মন-প্ৰাণ আৰু লগতে মনুষ্যত্বকো নাশ কৰে, দেশত অকাল-অনাটনৰ সৃষ্টি কৰে, অশান্তি-অৰাজগতাক মাতি আনে। গতিকে—আমাৰ বুদ্ধিমন্ত মহাৰাজে এনে অভিলাস এৰিলেহে আমি ভাল যেন দেখোঁ।"

এই কথা সজ কথা। কিন্তু ৰজাই সজ কথা ভাল নাপালে আৰু মহামন্ত্ৰী ধৰ্মচিন্তনক তেওঁ পদচ্যুত কৰি অৱকাশবৰ্মা নামৰ যথেষ্ট গিয়ানী চালাক ব্যক্তি এজনক তেওঁৰ পৰম শুভাৰ্থী মহামন্ত্ৰীৰূপে তৎক্ষণাৎ নিযুক্ত কৰিলে।

ৰজা ৰাজবৰ্মাৰ মনত সম্ৰাট হোৱাৰ আকাংক্ষাৰ কথাৰ আভাস পাই নতুন আৰু নিজেই ৰজা হোৱাৰ লোভ থকা লোভী মহামন্ত্ৰী অৱকাশবৰ্মাই ৰজাক ক'লে, "মহাৰাজ! আপোনাৰ গাত সম্ৰাট হোৱাৰ লা-লক্ষণ বাৰু পৰিমাণেই পৰিদৃষ্ট হৈছে আৰু সম্ৰাট আপুনি হ'ব যে—সেই কথাতো সন্দেহ নাই। কিন্তু কথা হ'ল যে—আমাৰ প্ৰতিবেশী ৰাজ্যসমূহৰ বহুতৰে তুলনাত আমাৰ সৈন্যবল অতি কম। আৰু—এই কাৰ্য্য তথা আকাংক্ষাক সফল কৰি তুলিবলৈ এ'লে আমি দৈৱশক্তিৰ সহায়তাও ল'ব লাগিব। আমাৰ ৰাজ্যৰ পশ্চিম মূৰত আছে প্ৰলয়-

পৰ্বত। সেই প্ৰলয়পৰ্বতত থকা প্ৰলয়মুনিৰ ওচৰলৈ গৈ আপুনি তেওঁৰপৰা শুভ আশীৰ্বাদ লৈ অহা আৱশ্যক এয়ে মোৰ স্পষ্ট অভিমত, মহাৰাজ!"

প্ৰলয়পৰ্বতত প্ৰলয়মুনি—বা অন্য কোনোবা মুনি থকাৰ কথাত ৰজা ৰাজবৰ্মাই আচৰিতেই মানিলে। কিয়নো তেওঁ জনাত—প্ৰলয় পৰ্বতত 'পল্লয়' নামৰ এক অতি হিংস্ৰ তথা নৰখাদক ৰাক্ষস বাস কৰাৰ কথাহে ইমান কাল ধৰি শুনিছিল তেওঁ। পল্লয় আছিল এক অভিশপ্ত ৰাক্ষস। কোনোবা ৰজাই পল্লয়-ৰাক্ষসক স্বীকৃতি দিলেহে সেই ৰজাৰ ৰাজ্যলৈ সি যাব পাৰিব, নচেত্ সি এই পৰ্বত এৰি ক'লৈকো যাব নোৱাৰিব। এয়ে হ'ল পুৰুষে পুৰুষে চলি অহা জনশ্ৰুতি।

কথাটো গিয়ানী-চালাক অৰকাশবৰ্মায়ো জানিছিল আৰু ভাবিছিল যে—ৰজা ৰাজবৰ্মা যদি তালৈ যায়—তেওঁ পল্লয়-ৰাক্ষসক স্বীকৃতি নিশ্চয় নিদিব, আৰু ৰাক্ষসটোৱে ৰজাক খপকৰে ধৰি কপ্‌কৰে মুখত ভৰাই নিমিষতে খাই পেলাব আৰু এই দৰে তাৰ ৰজা হোৱাৰ বাটৰ বগৰি জেং আঁতৰিব!

ৰজা ৰাজবৰ্মাই পল্লয়-ৰাক্ষসৰ কথা কোৱাত মহামন্ত্ৰী অৰকাশবৰ্মাই ৰজাক ক'লে, "মহাৰাজ, প্ৰচাৰৰ পং কথাত ভোল গৈ নিজক বাঁহগছৰ ভোল কৰি তোলাত কোনো বীৰতা নেদেখোঁ। তাতে কোনো ৰাক্ষস-তাক্ষস নাই, প্ৰলয়মুনিহে আছে। প্ৰলয়মুনিৰ এগৰাকী শিষ্যৰপৰা মই জানিছোঁ যে—কেৱল ৰজা-মহাৰাজা-সকলহে তালৈ যাব পাৰে, অন্য কোনোবা গ'লে তাৰপৰা ফিৰি আহিব নোৱাৰে। যি কি নহওক, তালৈ গৈ—সম্ৰাট হোৱাৰ আশীৰ্বাদী তথা ঘোৰ অলৌকিক শক্তি আয়ত্ত কৰি লৈ আপুনি নিৰ্বিঘিনিৰে ফিৰি আহকগৈ, মহাৰাজ!"

ৰাজবৰ্মায়ো ভাবিলে যে—এইকণ

সাহসো কৰিব নোৱাৰে যদি—সম্ৰাট হোৱাৰ আশা নকৰাই ভাল হ'ব।

গতিকে—এদিন তেওঁ ৰাজ্যৰ শাসন-ভাৰ তেওঁৰ সুযোগ্য মহামন্ত্ৰী অৰকাশবৰ্মাৰ হাতত গটাই দি ৰজা ৰাজবৰ্মাদেউ পল্লয়-ৰাক্ষস থকা সেই প্ৰলয় পৰ্বতলৈ বুলি ৰাওণা হ'ল।

তিনদিন তিন ৰাতি একেৰাহে গৈ গৈ ৰজা ৰাজবৰ্মাই চাৰিদিনৰ দিনা প্ৰলয় পৰ্বত পালেগৈ।

আৰু লগে লগে পল্লয় ৰাক্ষসো ৰজাৰ আগত উপস্থিত হ'লহি।

পল্লয় ৰাক্ষসৰ গাত দীঘল দীঘল নোম, চকুযুৰি অওঠা যেন ৰঙা, আৰু তাৰ দাঁতবোৰ মূলাৰ দৰে বিৰাট বিৰাট দীঘল আৰু জোঙা!

অৰকাশবৰ্মা মহামন্ত্ৰীয়ে যে জানি-বুজিয়েই মিছা কৈছিল, ভাঁৰি তেওঁক প্ৰলয় পৰ্বতলৈ পাঠাইছিল, ৰজা ৰাজবৰ্মাই এতিয়াহে বুজি পালে। তথাপি, ৰাক্ষসকে মুনি বুলি ভবাৰ ভাও জুৰি ৰজা ৰাজবৰ্মাই তাক নমস্কাৰ কৰি ক'লে, হে মুনিবৰ! মই সৌথন ৰাজ্যৰ ৰজা ৰাজবৰ্মা। আপুনি আপোনাৰ এনে বিচিত্ৰ আকৃতি পৰিহাৰ কৰি মুনিৰূপে আৱিৰ্ভূত হৈ মোৰ সমগ্ৰ জীৱনৰ সামাইন আকাংক্ষা পূৰণৰ

বাবে মোক দয়া কৰি সহায় কৰক—হে আমাৰ প্ৰভু!"

ৰাজবৰ্মাৰ কাবৌ-কথা শুনি পল্লয় ৰাক্ষসে ৰজাৰ ভৰিৰপৰা মূৰলৈকে চাই ল'লে আৰু তাৰ পাছত হুংকাৰি ক'লে, "ৰাক্ষসৰ মাজতে মুনিক দৰ্শন কৰা তোমাৰ চকুযুৰি বৰ আজৰ চকু দেখিছোঁ। যি কি নহওক—যিহেতু তুমি নিজক ৰজা বুলি যহাইছা, সিহেতুকে—মই তোমাক চৰ্ত এটাত এৰি দিব— মানে — তোমাক নাখাই জীয়াই থাকিবলৈ দিব পাৰোঁ। মোৰ চৰ্ত হ'ল—মোক তুমি তোমাৰ মহামন্ত্ৰীৰ বাব দিবা আৰু মোৰ অনুমতি

বিনে—মানে যাক বোলে পৰামৰ্শ—বিনে তুমি কোনো কাম নকৰিবা। বছ। কোৱা, ৰাজী? যি কৰা যি নকয়া-- এতিয়াই ক'ব লাগিব। নহ'লে তোমাক কপক্‌কৈ খাই দিম।"

কি যে ক'ব কি নক'বৰ জা ৰাজবৰ্মাই ঠাৱৰকে কৰিব নোৱাৰিলে। এইটো যে জাতেপাতে ৰাক্ষসেই—ইয়াৰ মাজত মুনি-টুনিৰ কোনো লা-লক্ষণ নায়েই সেই কথা আৰু তেওঁক বুজাই ক'ব নালাগে। কিন্তু কথা হ'ল—এতিয়া—তাৰ কথাত 'হয়' বুলিলেও বিপদ, 'নহয়' বুলিলে আৰু বিপদ। এপিনে অগ্নি এপিনে সমুদ্ৰ। এই বিপদ পাৰ হয় কেনেকৈ?

ৰাজবৰ্মাদেৱে ভাবি-গুণি ইয়াকে ক'লে, "চোৱাঁ, তোমাৰ দৰে শক্তিমানক মহামন্ত্ৰীৰূপে পোৱাটো — যিকোনো ৰজাৰ পক্ষেই এক পৰম ভাগ্যৰ কথা। কিন্তু কথা এটা আছে। তোমাৰ এই ৰূপত তোমাক মই মোৰ লগত লৈ যাওঁ কেনেকৈ কোবাচোন?"

"হেঃ হেঃ হেঃ!"

ৰাক্ষসটোৱে অট্টহাঁহি মাৰি ক'লে, "মই যেতিয়া মোক যি ৰূপ লাগে—সেই ৰূপ ল'ব পাৰোঁ। মাত্ৰ ইমানকে কোৱা নামত ৰজা হ'লেও মোৰ তলতীয়া হৈ থাকিবা। বছ,ইমানকে মোক লাগে।"

"কাম এটা নকৰা কিয় তেন্তে?" ৰাজবৰ্মাই নিস্পৃহ ভাবেৰে ক'লে, "মোক যে তুমি খতম্ কৰি তুমি একেবাৰে একেচিপে ৰজায়েই হ'ব পাৰা দেখোন।"

ৰজা হোৱাৰ কথা শুনিয়েই ৰাক্ষসটোৰ কেনেবা কেনেবা লাগি গ'ল, গত পিৰপিৰনি উঠিল। সি ৰাক্ষসে যেনিবা কিবা গুপ্ত কথাহে ব্যক্ত কৰিছে—তেনেধৰণে ফুচফুচাই ক'বলৈ ধৰিলে, "শুনা, মই হ'লোঁ এক অভিশপ্ত ৰাক্ষস। কোনো বা ৰজাৰ স্বীকৃতি বিনে--এই পল্লয় পৰেবতৰ বাদে—কোনো ৰাজ্যলৈ মই

যাব নোৱাৰোঁ, ক'লৈকো যাব নোৱাৰোঁ। সেই কাৰণেহে তোমাক নামাৰি-নাখাই তোমাক জীয়াই ৰাখি তোমাৰপৰা স্বীকৃতি আদায় কৰিবলৈ চেষ্টা কৰিছোঁ। আৰু— ৰজাৰ দায়িত্ব হ'ল প্ৰজাৰ মংগল, আৰু মন্ত্ৰীৰ দায়িত্ব— আচলতে একোটোৱেই নহয়। কেলেইনো মই লাখ-বিলাখ প্ৰজাৰ দায়িত্ব কঢ়িয়াম? তাতকৈ তোমাক চোৰা-চিঁতা কৰিম—সেয়ে ভাল হ'ব।"

ৰজা ৰাজবৰ্মাদেউ হঠাৎ যেনিবা ফেঁচামুৰা হৈ পৰিল ৰাক্ষসটোৰ ৰাবঁহীয়া কথাবোৰ শুনি। নাই, এতিয়া আৰু এন্‌ৰে-গেনৰে কৰি সময় কটাবৰ সময় নাই। তাক স্বীকৃতি নিদিলে সি মোক খাব, স্বীকৃতি দিলেও সেই ভীতিয়ে পিছ নেৰিব যদিও, তথাপি—কোনে ক'ব— তাৰ সহায়ত কিজানি সম্ৰাট-তম্ৰাট হ'ব পৰা যাব।

এইবোৰ সাতে-সোতৰই ভাবি-গুণি তেওঁ পল্লয় ৰাক্ষসক তেওঁৰ মহামন্ত্ৰী ৰূপে স্বীকৃতি দিলে আৰু লগে লগে পল্লয় ৰাক্ষসে ৰাক্ষসৰূপ গুচি মানুহৰ মূৰ্তি ল'লে।

*

ৰজা ৰাজবৰ্মাই যেতিয়া পল্লয়ক লগত লৈ ৰাজধানী পালেহি, তেতিয়া, তেওঁ ৰাক্ষসৰ হাতত মৰিল বুলি স্থিৰ-নিশ্চিত

হৈ, অৰকাশবৰ্মাই ৰজা হৈ বহিছিল আৰু দৰাচলতে সিয়েই ৰজা হিচপে ৰাজত্ব চলাই আছিছিল। এতিয়া—ৰজা ৰাজবৰ্মাদেউ ভালে-কুশলে উভতি অহা দেখি অৰকাশ-বৰ্মাৰ মুখ শেঁতা পৰিল।

ৰজা ৰাজবৰ্মাই অৰকাশবৰ্মাক ক'লে, "তুমি যি অপৰাধ কৰিছা—তাৰ দণ্ড কি সেইটি কথা জানানে?"

ৰজাই কথাটো ক'বলৈ পালেহে। পল্লয় ৰাক্ষসে অৰকাশৰ ডিঙিত থাপ মাৰি ধৰিলে আৰু মহাৰাজ ৰাজবৰ্মাক ক'লে, "আজিৰপৰা ৰাজ্যৰ অপৰাধীবিলাকক দণ্ড আপুনি আৰু নিদিলেও হ'ব, ময়েই

আপোনাৰ হৈ ব্যৱস্থা কৰিম। ৰাজদ্ৰোহীৰ দণ্ড কেনেকৈ দিব লাগে—মাত্ৰ চাই থাকক।" এই বুলি কৈয়েই মুহূৰ্ত্ততে ৰাক্ষসৰূপ ধৰি পল্লয়ে অৱকাশক কপকৃকৈ খাই পেলালে।"

এই দৃশ্য চাই তাত থকা মানুহখিনি যি যেনিয়েদি পাৰিলে পলাল। ৰজা ৰাজবৰ্মাদেৱো অতিপাত ভীত হৈ উঠিল পল্লয়ৰ কাণ্ড চাই। কথা আগলৈ যে ঠিক এনেকুৱা হ'ব—ৰজবৰ্মাদেৱে তাৰ উমান ল'ব পৰা নাছিল। কিন্তু আচল অৱস্থা তেওঁ তেতিয়া বা এতিয়া ভাবাতকৈও ভয়ানক হৈ উঠিল।

পল্লয়-মন্ত্ৰীয়ে আনকি সকলুৱা অপৰাধী-বিলাককো নিৰ্বিচাৰে যেতিয়া খাই থাকিল — তেতিয়া ৰাজবৰ্মাদেৱে প্ৰকৃততেই প্ৰমাদ গণিলে।

কিন্তু ৰাজ্যত তেতিয়াৰপৰা অখণ্ড শান্তি বিৰাজ কৰি থাকিল। ডকাইতি-লুটমাৰৰ তো কথাই নাই, চুৰি-চাপাচীও বন্ধ হ'ল। আনকি পৰস্পৰৰ মাজত কাজিয়া-পেচালো বন্ধ্। কিয়নো — কাজিয়া কৰাৰ দৰে জগৰতো পল্লয়-মন্ত্ৰীয়ে কাজিয়া কৰি থকা দুয়োটাকে খাব।

যেতিয়া এইদৰে দেশত অখণ্ড শান্তি —তেতিয়া অন্য এক নিদাৰুণ কথাই মূৰ দাঙিলে। পল্লয়-মন্ত্ৰীয়ে ক'লে যে—দেশত যদি কোনো অনিয়ায়-অপৰাধেই নহয়, তেনেহ'লে তাৰ চলিব কেনেকৈ? সি মানুহৰ ভেশ লৈ থাকিলে কি হ'ব—আচলতে তো 'ৰাক্ষস! গতিকে—জোৰ কৰি হ'লেও জগৰ লগাব লাগিবই।"

তেতিয়াৰজাই ক'লে, "কাম এটা কৰা। তুমি আমাৰ চুবুৰীয়া ৰাজ্য আক্ৰমণ কৰা। তেতিয়া—আমি যিমানেই বন্দী কৰিম, সিমানেই ধৰি ধৰি খাব পাৰিবা।"

পল্লয় ৰাক্ষসৰ বৰ পছন হ'ল ৰজাৰ বুধিটো। তেতিয়াই চুবুৰীয়া ৰাজ্যৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰা হ'ল। চুবুৰীয়া

ৰাজ্যৰ সৈন্যশক্তি আছিল অপাৰ। তথাপি —নিজৰ নিজৰ প্ৰাণ ৰক্ষাৰ বাবে দুয়োখন দেশৰ সৈন্যহঁত একগোট হৈ গ'ল। সিহঁতে যুদ্ধ নকৰিব। চুবুৰীয়া ৰাজ্যৰ ৰজা ধৰ্মসেনে তেওঁৰ সৈন্যহঁতক যুদ্ধ কৰাৰপৰা ৰাজকীয় আজ্ঞাৰে ৰেহাই দিলে আৰু সৈন্যহঁত ৰংমনে যুদ্ধক্ষেত্ৰ এৰি সেই মুহূৰ্ততে গুচি গ'ল।

কিন্তু পল্লয়-ৰাক্ষসৰ মন্ত্ৰণামতেই ৰজা ৰাজবৰ্মাই ধৰ্মসেনক তেওঁৰ বশ্যতা স্বীকাৰ কৰি নিজক তেওঁৰ তলতীয়া সমান্ত ৰজা হিচাপে মানি ল'বলৈ কোৱাত ৰজা ৰাজবৰ্মাৰ আগৰ সেই মহামন্ত্ৰী ধৰ্মচিন্তনে আগুৱাই আহি ৰাজবৰ্মাদেৱক ক'লে, "মহাৰাজ. আপুনি এই কথা প্ৰত্যাহাৰ কৰি লোৱাটোহে আপোনাৰ পক্ষে ভাল হ'ব মহাৰাজ ধৰ্মসেনক এনেকৈ অপমান কৰাৰ চেষ্টা কৰিলে আপুনিহে বিপদত পৰিব।"

"মোৰ ভয়তে নেগুৰ ছিগা লৰ দি পলাই যোৱাহঁতক মোৰ কি ভয়? তুমি পাগলেই হ'লানে তোমাৰ পেট চলিল—ধৰ্মচিন্তন?" ৰজা ৰাজবৰ্মাই ক'লে।

"আপুনি—তথাপি ভাবি চাওকেই অলপ! ধৰ্মচিন্তন ডাঙৰীয়াই মিনতিৰে ক'লে, "আপুনি এই ৰাক্ষসক মন্ত্ৰীৰূপে লোৱাৰ স্বীকৃতি প্ৰত্যাহাৰ কৰিলেই সি পলাব লাগিব, আৰু—দুয়োখন দেশৰ অগণন প্ৰজা ৰক্ষা পৰিব। আমাৰ বিবাদত কেৱল এইবোৰ ৰাক্ষসৰহে লাভ, আমাৰ বা আপোনাৰ মহাবিপদ।"

অৱশেষত ৰজা ৰাজবৰ্মাৰ জ্ঞানোদয় হ'ল, আৰু তেওঁ মহামন্ত্ৰীৰূপে পল্লয় ৰাক্ষসৰ স্বীকৃতিক প্ৰত্যাহাৰ কৰিলে।

লগে লগে মৰ-চিঞৰ মাৰি পল্লয় নিমিষতে পলাল। মহাৰাজ ৰাজবৰ্মাই সেই মহৎ ধৰ্মচিন্তনকে পুনৰ তেওঁৰ মহামন্ত্ৰী হিচাপে আদৰি ল'লে।

চান্দমামা সম্বাদ

পতালে গাঁজিলে, পিৰামিডে হালিলে!

এয়ে প্ৰথম বাৰ মিছৰদেশৰ ভুঁইকঁপে জোকাৰি গ'ল। যোৱা অক্'টবাৰ মাহৰ ১২ তাৰিখৰ দিনা হোৱা ভূমিকম্পৰ ফলত কায়ৰো নগৰৰ নিকটবৰ্তী খুফু, খিয়োপ্‌ছ আদি পিৰামিডৰ ওপৰিভাগ যথেষ্ট ক্ষতিগ্ৰস্ত হ'ল। পৃথিৱীৰ অতি প্ৰাচীন ছয় মহলা পিৰামিড 'ছক্‌কাৰা' আৰু 'চেপ্ৰেন'ৰ কিছুখিনি পাথৰ উফৰি পৰিল। ভুঁইকঁপে বাৰুকৈ জোকাৰি থৈ যোৱা এইবোৰ সুপ্ৰাচীন পিৰামিড মেৰামতিৰ চেষ্টা কৰা হৈছে।



সঁতাৰ কথা!

কওকচোন — পৃথিৱীত আটাইতকৈ অধিক বৰষুণৰ ঠাইডোখৰ এতিয়া ক'ত? আপুনি যদি চেৰাপুঞ্জী বুলি ভাবিছে—ভুলহে কৰিছে! ১৯৮৫ চনলৈকে চেৰাপুঞ্জীত ১১৩১৪ মি. মি. বৰষুণ হৈছিল। কিন্তু তাৰ পাছৰপৰা এই গৌৰৱ গুচিল। এতিয়া আমেৰিকাৰ হাওৱাইস্থিত



বাইপিলেত ১১৪৩৮ মি. মি. বৰষুণ ৰেকৰ্ড কৰা হৈছে। এই বছৰ চেৰাপুঞ্জীৰপৰা ১৬ কি'লমিটাৰ দূৰস্থিত মৌচিনৰামত অৱশ্যে ১১৮৭৩ মি. মি. বৰষুণ দিছে। তাত এবছৰৰ ১৫০ দিন ধৰি বৰষুণে সঁতা ধৰাৰ ৰেকৰ্ড আছে। ১৯৫২ চনৰ ১০ জুলাইৰ দিনা—এদিনতে ৯৮৯.৬ মি. মি. বৰষুণ দিছিল। বিগত ৪০ বছৰতো ভাৰতৰ ক'তো ইমান বৰষুণ দিয়া নাছিল!

সুদূৰ গ্ৰহবাসীৰ কণ্ঠস্বৰ!

সম্প্ৰতি আমেৰিকাৰ 'নাছা'ই (NASA) ক্যালিফ'ৰ্নিয়াৰ মোজাৱে নামৰ মৰুভূমিত ৩৪ মিটাৰ জোখৰ ডিশ্‌-অ্যাণ্টেনাৰ সহায়ত মহাকাশৰ সুদূৰতম গ্ৰহৰপৰা কণ্ঠস্বৰ ধৰা পেলালে! এই কণ্ঠস্বৰ—যি ধৰণৰেই নওহক—হেনো—কোনোবা প্ৰাণীৰেই কণ্ঠস্বৰ—এই কথাত নাছাৰ বিজ্ঞানীবৰ্গ নিঃসন্দেহ!

নামৰ গুণ

পুৰণি দিনৰ কথা। তেতিয়া কাৰ্ণাটক ৰাজ্যৰ শুভৰতী নগৰত শম্বল নামৰ ৰজাৰ শাসন চলিছিল। মহাৰজা শম্বলৰ ৰাজসভাত অতি খ্যাতনামা ডাঙৰ ডাঙৰ মল্লযোদ্ধা আছিল।

এবাৰ মহাৰাজ শম্বলৰ দৰবাৰলৈ মহামল্ল নামৰ মল্লযোদ্ধা এজন দূৰৱৰ্তী কোনোবা এক ৰাজ্যৰপৰা আহিল। এই বিশ্বাস কৰিছিল যে তাক পৰাজিত কৰিব পৰা মাল-যুঁজাৰু জগতত নাই।

মহামল্লই মহাৰাজ শম্বলক ক'লে, "মহাৰাজ! মোক পৰাজিত কৰিব পৰা আপোনাৰ ৰাজ্যত যদিহে কোনোবা মল্লবীৰ আছে, ভালেই। নতুবা, মোকেই সৰ্বশ্ৰেষ্ঠ বুলি মানি লৈ উপাধি-মানপত্ৰ তথা পুৰস্কাৰাদি দিয়ক।"

মহাৰাজে তেওঁৰ মহামন্ত্ৰীলৈ চালে। তেতিয়া মহামন্ত্ৰীয়ে ক'লে, "মহাৰাজ! আমাৰ ৰাজকীয় মল্লযোদ্ধা—চণ্ড-প্ৰচণ্ড-দোৰ্দণ্ড গোলমল্ল বহাতুৰৰ আগত আজিপৰ্যন্ত কোনো তিষ্ঠিব পৰা নাই যে—জানেই। তেওঁ নগৰৰ বাহিৰলৈ গৈছে, যদিও দুই-চাৰি দিনতে উভতি আহিব। তেওঁ আহি পোৱামাত্ৰেই এইগৰাকী আগন্তুক মল্লযোদ্ধাক ইটাৰ জৰাব শিলেৰেহে দিব নিশ্চয়।"

মহামল্লাৰ থকা-মেলাৰ বাবে উৎকৃষ্ট বন্দবস্ত কৰি দিয়া হ'ল। তেওঁ—মহামল্ল তাত অতি আৰামেৰে থাকিল, কিন্তু কাণত মহামন্ত্ৰীয়ে কোৱা কথাষাৰ দিনে-নিশাই বাজি থাকিল: চণ্ড-প্ৰচণ্ড-দোৰ্দাণ্ড গোলমল্ল বহাতুৰে ইটাৰ জৰাব শিলেৰে দিব!

মহামল্লই তেওঁৰ কাম-কাজ কৰা ৰাজকীয় লিগিৰাজনক সোধাত লিগিৰাই

‘কৰ্ণাটকৰ লোক-কথা’

ক'লে যে — গোলমল্লদেউ হ'ল মল্ল-যোদ্ধাহঁতৰ গুৰু। গোলমল্লই সদা-সৰ্বক্ষণেই যোগ-সাধনা কৰে। কেৰল—ৰাজকীয় মান-সন্মান তথা দেশৰ সন্মানৰ কথাতহে কাচিৎ-কেতিয়াবা যুঁজে।

তিনিদিনৰ অন্তত চাৰি দিনৰ দিনা এক বিৰাট ওখ আৰু বহল তোৰণ নিৰ্মাণ কৰা দেখি মহামল্লই লিগিৰাক এই বিষয়ে সোধাত লিগিৰাটোৱে ক'লে যে— কালিলৈ গোলমল্লদেউ ইয়ালৈ আহিব। গেলমল্ল হ'ল বিৰাট ওখ-পাখ আৰু শকত-আৱত। এটা পৰ্বতৰ দৰে। সেইহে ইমান ওখ তুৱাৰ বনোৱা হৈছে। নহ'লে তেওঁ সোমাবই নোৱাৰিব।

ৰাজমিস্ত্ৰীয়ে অন্যান্য বনুৱাক কৈ আছিল যে ইটাৰে নহয়, শিলেৰেহে মজিয়া কৰিব লাগিব। কিয়নো — গোলমল্লৰ গোৰোহাৰ হেঁচাত ইটা গুড়ি হৈ যাব।

চণ্ড-প্ৰচণ্ড-দোৰ্দণ্ডৰ কাৰণে চলি থকা এইবোৰ কথা-কাণ্ড চাই মহামল্লৰ ভুকুযুৰি কোঁচ খাই পৰিল। পাছদিনা—ধলপুৰাতে মহাযোদ্ধা গোলমল্লাৰ নামত জয়ধ্বনি উঠিল : 'চণ্ড-প্ৰচণ্ড-দোৰ্দণ্ড গোলমল্লাজীৰ —জয় হওক!' গোলমল্লাক আদৰিবলৈ স্বয়ং মহাৰাজো ইমান ধলপুৱা তালৈ আহিছিল।

হঠাৎ ৰজাৰ চিপাহী এজনে দৌৰি আহি মহাৰাজক ক'লে, "মহাৰাজ! মহামল্লৰ নামৰ মল্লযোদ্ধাজনক তেওঁৰ বিশ্ৰাম-কক্ষত বিচাৰি নাপালোঁ। পৰীয়াই ক'লে যে—সৰু পানী ছুই অহাব কথা কৈ সেই যে তেওঁ কক্ষৰপৰা ওলাইছিল, তাৰ পাছৰপৰা তেওঁৰ হেনো আৰু ক'তো-কেনিও পাত্তা নাই।"

তেতিয়া মহামন্ত্ৰীয়ে মৃদুকৈ হাঁহি মাৰি মহাৰাজক ক'লে, "মহাৰাজ! আমাৰ কৌশলে গুণ দিলে। কেৱল নাম শুনি ভয় খাই মহামল্লই ঘিটিং মাৰিলে!"

বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য

বুজা-পৰা !

জন্তু-জানোৱাৰবিলাকে সিঁহতৰ নেগুৰেৰে গাত বহা মাখি বা পোক-পৰুৱা খেদে বা খজুৱায় ! কিন্তু নেগুৰ যিমানেই দীঘল হওক—গোটেই গাত এই উপায়ে খজুৱাব নোৱাৰে, বা কীট-পতংগও খেদিব নোৱাৰে। তেতিয়া কি কৰে ? তেতিয়া সিঁহতে ইটোৱে আনটোৰ কাষ চাপি থিয় হৈ পৰস্পৰৰ নেগুৰেৰে এই খেদা-খজুৱাৰ কামত পৰস্পৰক সহায় কৰে।





টোপনি-গদুৱা-গছ !

মানুহে দিনত সাৰে থাকে, আকৌ ৰাতিৰ পৰতে টোপনি মাৰে। কিছুমান গছৰো মানুহৰ মাজত থকাৰ দৰে এই অভ্যাস আছে। এই গছবোৰৰ ফুলবোৰ দিনৰ ভাগত ফুলি থাকে, কিন্তু ৰাতিৰ পৰত জঁয়-পৰা যেন হয়। এনেবোৰ গছক যদি ৰাতিৰ পৰতে পোহৰ দিয়া হয় — তেনেহ'লে ৰাতিৰ পৰতে ফুল ফুলি থাকিব !

জীৱন-ৰহস্য !

প্ৰাণী-জগতত দীৰ্ঘ জীৱন মানুহৰ অধিকাৰত। কিন্তু কিছুমান প্ৰাণী মানুহতকৈ ঢেৰ অধিক কাল জীয়াই থাকে। যেনে—'ছী অনেমোন' নামৰ সাগৰীয় শেলাই আৰু স্পঞ্জ। এইবোৰ কিন্তু প্ৰাণী। এইবোৰ প্ৰাণী শ শ বছৰ জীয়াই থাকিব পাৰে। কাৰণ মাত্ৰ একেটাই—এইবোৰৰ দেহস্থ যিবোৰ জীৱকণা মৰি যায়, সেইবোৰ এইবোৰৰ দেহত পুনৰ ওপজে !





Your child and Mama Bear
You just can't keep them apart.

COON

BOW-BOW

JUMBO

A wide range of soft toys from the Chandamama Collection – each with its own unique appeal!

Every Soft Toy in the Chandamama Collection has been specially made to bring your child years of warmth and friendship.

- *Totally Safe – for children of any age.*
- *Durable – high quality synthetic fibre used.*
- *Washable – will not lose shape.*

And now – a surprise gift offer! With every Chandamama Soft Toy you buy. Ask your shopkeeper for a

Free Gift Coupon.

Simply fill it in and mail it to the given address. We will post you gifts that will keep your child amused and happy for hours.

Buy Now – offer open for a limited period only!

Available at all leading outlets.

WOBBIT

SPORTY

THE

CHANDAMAMA

COLLECTION

ARTIG/CT/1153

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৩ চনৰ এপ্ৰিল সংখ্যাত প্ৰকাশিত হ'ব ।



M. Natarajan

M. Natarajan

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দকেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৯৩ চনৰ ফেব্ৰুৱাৰি মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ১০০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'স্টকাৰ্ডত লিখি তলৰ-ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)**

CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026

১৯৯২ চনৰ ডিছেম্বাৰ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : এন্ধাৰ আহিছে ওচৰ চাপি দ্বিতীয় ফটো : পোহৰৰ স'তে পাতিছোঁ সখি

পুৰস্কাৰ প্ৰাপক : সীমা ডেকা, মিকিৰভেটা ছোৱালী হাইস্কুল, দশম মান, অসম।

ভাৰতত বছৰেকীয়া বৰঙণি **চান্দমামা** ৪৮.০০ টকা মাথোন

বৰঙণিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are the exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবাসুৰা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা

তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক :
অসমীয়া, হিন্দী· গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্,
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু
আৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙণি

অষ্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে 105.00 ● উৰাজাহাজ-যোগে 252.00

ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে 111.00 ● উৰাজাহাজ-যোগে 252.00

আপোনাৰ বৰঙণি বেংক ডিমাণ্ড ড্ৰাফ্‌ট্ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক :
ছাৰ্কুলেশ্যন মেনেজাৰ **চান্দমামা পাবলিকেশ্যনছ** চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০-০২৬

CHANDAMAMA
(Assamese)
February 1993
Regd. No. TN/MS (S)